KKB
23

নলবাৰী জিলা ট্ৰাইবেল সংঘ

# জনজ্যোতি



বছৰেকীয়া মুখপত্ৰ

ইং ১৯৮১-৮২ চন

১ম সংখ্যা

সম্পাদনাত—

এল. চি. হাগ্ৰাৰী

# সেই অভিশপ্ত অতীতৰ অৱসান ঘটিছেনে ?

॥ শ্ৰীৰামচৰণ ব্ৰহ্ম ॥

ভাৰত গণ-ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সংবিধানৰ জনক ড° আম্বেদকাৰ মহোদয়েনো কিহৰ বেদনা, তাড়ণা কিম্বা অনুপ্ৰেৰণাত স্বাধীনতা লাভৰ অনেক বছৰৰ পাছত কত সহস্ৰ বছৰীয়া হিন্দু-ধৰ্ম্মৰ প্ৰতি বীতশ্ৰদ্ধ হৈ একেদিনাই একলাখ নিম্ন হিন্দু সমন্বিতে বৌদ্ধধৰ্ম গ্ৰহণ কৰিব লগা হ'ল ! আকৌ কি পৰিবেশ, পৰিস্থিতি আৰু অৱস্থাই তামিলনাডু, বিহাৰ, মধ্যপ্ৰদেশ আৰু উত্তৰপ্ৰদেশ ইত্যাদিৰ কেইবা শ নিম্ন হিন্দু হৰিজনসকলক সৌ-সিদিনাখন ইচলাম আৰু খৃষ্টান ধৰ্মলৈ ধৰ্ম্মান্তৰ হ'বলৈ বাধ্য কৰালে বাৰু !?। এই আকস্মিক ধৰ্ম্মান্তৰৰ ঘটনা জানো সেইবোৰ ধৰ্মৰ গুণগত আকৰ্ষণৰ ফল ? বোধহয় নহয় ।

হৰিজনসকলৰ এই অপ্ৰত্যাশিত ধৰ্ম্মান্তৰৰ অন্তৰালত বিদেশী চক্ৰই প্ৰচুৰ টকা বিনিয়োগ কৰা বুলি দেশৰ প্ৰধান মন্ত্ৰী সমন্বিতে অনেক নেতা আৰু বাতৰি কাকতে মন্তব্য প্ৰকাশ কৰিছে । অৱশ্যে আন এটা পক্ষই এইবুলি ক'বলৈ প্ৰয়াস কৰিছে যে ধৰ্মান্তৰ হৈছে স্বেচ্ছাপ্ৰণোদিত কথা ;— আনৰ হেঁচা বা প্ৰলোভনৰ ইয়াত কোনো প্ৰয়োজন নাই । কিন্তু মাৰ্কা বিশিষ্ট ধৰ্মসমূহ সমন্বিতে, ইবোৰৰ গোড়া অনুশীলনকাৰীসকলৰ অতীত বৰ্ত্তমানৰ ইতিহাস সূক্ষ্ম আৰু স্থূল দুয়ো প্ৰকাৰে বিশ্লেষণ কৰি চালে কি পোৱা যায় বাৰু ? হেঁচা আৰু প্ৰলোভনকেই ধৰ্ম্মৰ সম্প্ৰসাৰণৰ পাশুপাত অস্ত্ৰ হিচাবে ধৰ্ম্মৰ ধ্বজা[illegible] সকলে প্ৰয়োগ কৰি অহা নাইনে ? [illegible]সম্প্ৰসাৰণৰ প্ৰতিযোগিতাত হয়তো কোনোবাই জিকিছে আৰু কোনোবাই হাৰিছে ; পাৰ্থক্য মাথো ইমানেইহে । পৰিণতি কিন্তু দুয়োটাৰেই অশুভ । ড° আম্বেদকাৰৰ নেতৃত্বত লাখৰ হিচাবত নিম্ন হিন্দুলোকে বৌদ্ধ ধৰ্মলৈ ধৰ্ম্মান্তৰ হোৱা ঘটনাই ৰাষ্ট্ৰনায়ক সকলৰ মূৰ কামোৰণি তোলাৰ উল্লেখ পোৱা নাযায় ; বৰঞ্চ ৰাষ্ট্ৰ নিৰ্ম্মাতাসকলে বৌদ্ধ ধৰ্মৰ শীল সমূহৰ দ্বাৰা কেৱল অনুপ্ৰাণিত হোৱাই নহয় ; এই ধৰ্ম্মৰ চক্ৰ আৰু স্তম্ভ ৰাষ্ট্ৰীয় প্ৰতীকৰূপেও স্বীকৃত । কিন্তু ৰাষ্ট্ৰনেতা সকলৰ বাবে এক জটিল সমস্যাৰূপে দেখা দিলে অলপতে কেইশমান নিম্ন হিন্দু হৰিজনসকলে আকস্মিক ভাৱে ইচলাম আৰু খৃষ্টান ধৰ্ম সামগ্ৰীক ভাবে গ্ৰহণ কৰা ঘটনাটিহে । উক্ত দুয়োটা ধৰ্মৰ জন্মস্থান ভাৰতবৰ্ষ নহয় যদিও এইদেশত এইবোৰৰ অৱস্থিতি নতুন নহয় । সেইবাবেই হৰিজন সকলৰ ধৰ্মান্তৰৰ কাৰণ বিচাৰিবলৈ

OKDISCD

যাওঁতে আত্মজিজ্ঞাসা আৰু বিশ্লেষণ নকৰাকৈ কেৱল বিদেশী চক্ৰৰ ভূত আৰু স্বেচ্ছা প্ৰণোদিত আকৰ্ষণৰ মৌচাক বিচাৰিলেই প্ৰকৃত সত্যৰ উদঘাটন আৰু সমস্যাৰ বিজ্ঞানসন্মত যুগমীয়া সমাধান নহয়।

এখন মঙ্গলকামী স্বাধীন গণৰাষ্ট্ৰত স্বাধীনতা লাভৰ ত্ৰিদশকাধিক বছৰৰ পাছতো যথাৰ্থ বিজ্ঞান সন্মতভাৱে সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন নোহোৱাৰ ফলত হৰিজন সকলৰ দৰে দুৰ্ব্বল শ্ৰেণীটোৱে সামাজিক নিৰাপত্তা আৰু অৰ্থনৈতিক মুক্তি বিচাৰি ধৰ্ম্মান্তৰকেই ইয়াৰ একমাত্ৰ প্ৰশস্ত অৱলম্বন হিচাবে গ্ৰহণ কৰিব লগা হোৱাটো ৰাষ্ট্ৰৰ চিন্তানায়ক ওৰফে কৰ্ণধাৰ সকলৰ বাবে এক নগ্ন প্ৰত্যাহ্বান নহয়নে?

যিখন দেশ সহস্ৰ ঋষি-মুনি, সাধু-সন্ন্যাসী, বাবাজী—ঔলীয়া, পীৰ-পয়গম্বৰ, মহন্ত-মোহান্ত মহাপুৰুষ, পৰমহংস, সতী-সাধ্বী, ত্যাগী-মহাত্যাগী, বেদ-বেদান্ত, গীতা উপনিষদ, পুৰাণ-উপপুৰাণ, কাব্য-মহাকাব্য, গ্ৰন্থচাহেব ত্ৰিপিটক, মঠ-মন্দিৰ, গীৰ্জা-মছজিদ, কোৰাণ-বাইবেল সমন্বিতে মানৱতাৰ ধ্বজা বাহকেৰে পৰিপুষ্ট; যিখন দেশ বিশ্ব-বাসীৰ মাজত মানৱতাৰ অমৃত-বাণী বিলাওতা ৰূপে খ্যাতিমান; সেইখন ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাযে আজিও অস্পৃশ্যতা-ৰূপ উপদংশ মহাব্যাধিৰে জৰ্জ্জৰিত এই অপ্ৰিয় সত্যটিলৈ মনত পৰিলে সচাঁয়ে আত্মগ্লানিৰে আমাৰ মন ভৰি উঠে আৰু তেতিয়া চকুৰ আগত উদ্ভাসিত হয় সেই নাকচখৰ হোৱা বেঙ্গটিৰ ৰূপ!

সকলো ধৰ্ম্মৰ সমন্বয় সাধক, মানৱতা আ অহিংসাৰ পূজাৰী, একাদশব্ৰতাচাৰী গান্ধী যদি ভাৰতীয় জাতিৰ পিতা হয়; আ তেওঁৰ দ্বাৰা প্ৰৱৰ্ত্তিত অহিংস আদৰ্শ ৰাষ্ট্ৰীয় আদৰ্শ হয়; তেনেহলে গান্ধীহত্যাক জানো কেৱল নাথুৰাম? যি মনস্তত্বৰ প্ৰেৰণ নাথুৰামে গান্ধীজীৰ নশ্বৰ দেহাৱসান ঘটাইছি সেই একে মনস্তত্বৰ আকুতিৰেই আজি লক্ষ ভাৰতীয়ই তেওঁৰ দ্বাৰা প্ৰৱৰ্ত্তিত আদ হত্যা কৰি পিতৃহন্তাৰূপত অৱতীৰ্ণ নাইনে?

যিগৰাকী জাতিৰ পিতাই মেঠৰ মুচি-ড ইত্যাদি সকলক হৰিজন > হৰি-জন অৰ্থাৎ ৰূপত দেখি তেওঁলোকৰ সেৱা কৰিবৰ নিজে হৰিজন বস্তিত বাস কৰি দেশ বিশ্ব-বাসীৰ মাজত অমৃতবাণী বিলাইছি সেই হৰিজনসকলক আজি ৰাষ্ট্ৰই স্বাধ লাভৰ একুৰি চৈধ্য বছৰৰ পাছতো সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তা যথ প্ৰদান কৰিব নোৱাৰাটো কেৱল বেদনাদা নহয়, গণতন্ত্ৰৰ বাবে এক নৈতিক প্ৰত্যাহ্ব

সাধাৰণ দৃষ্টিত এখন ধৰ্ম্ম নিৰপেক্ষ কোনো ব্যক্তি বিশেষৰ ধৰ্ম্মান্তৰ গ্ৰহণ মূৰ ঘমাবলগীয়া বিষয় নহয়, কিন্তু যদি ৰাষ্ট্ৰৰ বাবে বিপদৰ কিবা কাৰণ তেনেহ'লে সেই বিষয়ে চিন্তা কৰাৰ আৰু কৰ্ত্তব্য কেৱল ৰাষ্ট্ৰ নেতাসকলৰেই ৰাষ্ট্ৰবাসী প্ৰতিগৰাকী সৎনাগৰিকৰো।

—এইটো সৰ্ব্বজনবিদিত যে ভ এখন ধৰ্ম্ম নিৰপেক্ষ, ৰাষ্ট্ৰ। ধৰ্ম্ম নিৰ

OKDISCD

মানে ধৰ্ম্ম নমনা নহয় বোলা হৈছে। নাগৰিকৰ ধৰ্ম্মবিশ্বাস আৰু চৰ্চ্চাত ৰাষ্ট্ৰই হস্তক্ষেপ নকৰাটোকেই ধৰ্ম্মনিৰপেক্ষতা বোলা হৈছে। কোনো মাৰ্কাবিশিষ্ঠ ধৰ্ম্মই আধুনিক ভাৰত গণৰাষ্ট্ৰৰ ৰাজধৰ্ম্ম নহয়। সাংবিধানিক আনুগত্যৰ মাজেৰে সকলো ধৰ্ম্মকেই ইয়াত স্বচ্ছন্দ বিকাশৰ অধিকাৰ প্ৰদান কৰা হৈছে। এই আপাহতেই আজি এইখন দেশত ধৰ্ম্ম আৰু ৰাজনীতিৰ মিশ্ৰণে মাজে মাজে ৰাসায়ণিক অপক্ৰিয়া সৃষ্টি কৰা পৰিলক্ষিত নোহোৱাকৈ থকা নাই। সেইবাবেই কোনোবাই হিন্দু ধৰ্ম্মৰ কথা কলে বা তাৰ সংগঠনত ব্ৰতী হ'লে তাক পোনেই 'আৰ, এচ, এচ," ( ৰাষ্ট্ৰীয় স্বয়ং সেৱক ) আকৌ যদি কোনোবাই ইচলাম কিম্বা খৃষ্টান ধৰ্ম্মৰ প্ৰসস্তি গায় বা সংগঠনত ব্ৰতী হয়, তেতিয়া তাক "বিদেশী চক্ৰৰ এজেণ্ট" বুলি মন্তব্য কৰাৰ বিলাসী ভূতটোই ওঠ টিপিলে গাখীৰ ওলোৱাজনৰ গাতো নলগাকৈ থকা নাই।

অৱশ্যে ধৰ্ম্মক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰস্পৰ বিৰোধী এনে সন্দেহৰ কাৰণো একেবাৰে নোহোৱা নহয়। কাৰণ ধৰ্ম্মৰ দোহাই দি মানৱ কল্যাণৰ বহু উচ্চ আদৰ্শৰ কথা কলেও বহু সময়ত ধৰ্ম্মৰ বাবেই অনেক অধৰ্ম্ম-অমানৱীয় কেলেঙ্কাৰ সংঘটিত হোৱা নিদৰ্শন পৃথিবীত প্ৰচুৰ আছে। স্বাধীনতাৰ প্ৰসূতী কালতেই অখণ্ডিত ভাৰত খণ্ডিত হোৱাৰ মূলতেই যে ধৰ্মীয় কেলেঙ্কাৰ এই কথা আমি পাহৰি গলে নহব। ধৰ্ম্মীয় গোড়ামী, অন্ধতা আৰু উন্মাদনাকে মৌলিক সম্পদ হিচাবে আকোৱালি লৈ পূব-পাকিস্তান আৰু পশ্চিম পাকিস্তানৰ সৃষ্টি হৈছিল। পাছত ভাষাৰ উন্মাদনাত পূব-পাকিস্তান হ'লগৈ 'বাংলাদেশ'। দেশ বিভাজনৰ সময়ত উচ্চ প্ৰশংসিত ধৰ্ম্মৰ বলি হৈ হাজাৰ হাজাৰ আবাল বৃদ্ধ বণিতা কেৱল উদ্বাস্তু হোৱাই নহয় নানা পাশৱিক অত্যাচাৰৰ সন্মুখীন হোৱা দৃশ্য কিমান কিমান নিঃকৰুণ, কিমান শোকাবহ !!! যি অনুভূতি আৰু আক্ৰোশৰ পৰিণতিত এনেদৰে মানৱতাৰ মৃত্যু ঘটে তাকেই ধৰ্ম্ম, পুণ্য বা স্বৰ্গলাভৰ সোণৰ জখলা বুলি আকোৱালি থকা অন্ধসকল প্ৰকৃততে উন্মাদত বাহিৰে আৰু নো কি ?—ধৰ্ম্মই যদি মানুহক দেৱত্বলৈ উন্নীত কৰে, ধৰ্ম্মই যদি পৃথিবীত স্বৰ্গীয় শান্তিৰ নিজৰা বোৱাব পাৰে, তেনেহলে ধ ৰাষ্ট্ৰ পাকিস্তান, বাংলাদেশ, ইৰাণ, ইৰাক, মিছৰ ইত্যাদিত যি প্ৰবল গতিত নৰশোণিতৰ নদী বৈ আছে সেয়াই জানো তাৰ বাস্তৱায়ন ? আকৌ ইউৰোপৰ এশবছৰীয়া ধৰ্ম্মযুদ্ধৰ উপৰিও পৃথিবীৰ অন্যান্য ঠাইত ধৰ্মৰ পুণ্যশক্তিৰ পিৰপিৰণিত মানুহ অমানুহত পৰিণত হোৱা সহস্ৰ উদাহৰণ উল্লেখ নকৰিলোৱেইবা !

কোৱা হয় "শিক্ষাই হৈছে জাতিৰ মেৰুদণ্ড স্বৰূপ"। এয়াই যদি সত্য তেনেহ'লে ভাৰতীয় জাতিৰ মেৰুদণ্ডডাল নিশ্চয় পঁঞা লগা। কাৰণ হিন্দু আৰু মুছলীম এয়া দুইমেৰু বিশিষ্ট মাৰ্কাযুক্ত ধৰ্ম। এই দুই ধৰ্মৰ জাতিৰ মেৰুদণ্ডস্বৰূপ উচ্চতম শিক্ষালাভৰ স্থান যথাক্ৰমে বেনাৰচ হিন্দু বিশ্ববিদ্যালয় আৰু আলীগড় মুছলীম বিশ্ববিদ্যালয়ৰ অস্তিত্ব ধৰ্ম নিৰপেক্ষ মঙ্গলকামী ভাৰত গণৰাষ্ট্ৰত সঁচায়ে এক দৃষ্টিকটু

বিসঙ্গতি নহয়নে ? পৰিণতিত কি হোৱা নাই ? সময়ে সময়ে কচিৎ ধৰ্মভিত্তিক সাম্প্ৰদায়িক অসুৰৰ উৎপাত বৃদ্ধি হোৱা নাইনে ? এবং জনিত কাৰণত দেশৰ মেৰুদণ্ড গঢ়া এই শিক্ষানুষ্ঠান মাজে সময়ে সাময়িক ভাৱে বন্ধ ৰাখিব লগা হোৱা নাইনে ? ধৰ্ম্মীয় সাম্প্ৰদায়িকতাৰ অ'তিশয্য'ৰ আধাৰত মূৰ তুলি থকা এই দুয়োখন বিশ্ববিদ্যালয় দেশৰ গৌৰৱ নহয়—কলঙ্কস্বৰূপ হৈ পৰাটো দুঃখজনক কথা।

—বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন তথা জন্ম লগ্নত অনুষ্ঠিত উৎসৱ মুখৰ বিৰাট জনসভাত সংঘটিত উল্লেখযোগ্য ঘটনাটি এই প্ৰসঙ্গতে উল্লেখ কৰাৰ লোভ সামৰিব পৰা নাযায়। বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সমস্ত ধন দাতা পণ্ডিত মদন মোহন মালব্যৰ দ্বাৰা আহুত হৈ দেশৰ চুকে কোণে থকা তদানীন্তন দেশীয় ৰজা-মহাৰজা বৃন্দ, শ্ৰেষ্ঠ ধনী-মানী, পণ্ডিত-পণ্ডিতা আৰু স্থানীয় সহস্ৰ লোক সমবেত হৈছে বেনাৰচ হিন্দু-বিশ্ববিদ্যালয়ৰ আধাৰ শিলা স্থাপনৰ বাবে আয়োজিত উৎসৱ মুখৰ অনুষ্ঠান উপভোগৰ উদ্দেশ্যে। বিশেষভাৱে আমন্ত্ৰিত অতিথিসকলৰ ভিতৰত অন্যতম আছিল বিলাত ফেৰৎ ডেকা বেৰিষ্টাৰ মোহনদাস কৰমচাঁদ গান্ধী। 'মহাত্মা' নাম তেতিয়া পোৱা নাই। তেতিয়া ভাৰতৰ গভৰ্ণৰ আছিল ২য় লৰ্ড হাৰ্ডিঞ্জ। বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপনানুষ্ঠানৰ আনুষঙ্গিক কাৰ্য্যক্ৰমণিকাৰে অনুষ্ঠিত বিৰাট মুকলি সভাৰ সভাপতি আছিল এনীবেচাণ্ট্। সভাৰ মঞ্চত বিলাসী আৰু ৰাজোচিত সাজ-সজ্জাৰে বিভূষিত আমন্ত্ৰিত অতিথিবৃন্দ হাঁহি মুখেৰে উপবিষ্ট। দেশীয় ৰজ-মহাৰজা সমন্বিতে অনেক ধনী-মানী আৰু পণ্ডিত অতিথিসকলে বেনাৰচ্ হিন্দু-বিশ্ববিদ্যালয়ৰ দাতা পণ্ডিত মদন মোহন মালব্যৰ প্ৰশস্তি বক্তব্য ডাঙি ধৰিলে। সদৌশেষত নিৰ্দ্দিষ্ট নিমন্ত্ৰিত অন্যতম অতিথিৰূপে বক্তব্য ডাঙি ধৰাৰ পাল পৰিল মোহনদাস কৰমচাঁদ গান্ধীৰ। গান্ধীজীয়ে কাৰো প্ৰশস্তি-বন্দনা নাগাই একেবাৰে তিৰ্য্যকভাৱে গভৰ্ণৰ ২য় লৰ্ডহাৰ্ডিঞ্জ, দেশীয় ৰাজন্যবৰ্গ, সভাৰ সভাপতি এনীবেচাণ্ট তথা দেশৰ দেশপ্ৰেমহীন ধনী-মানী, পণ্ডিত-পণ্ডিতা কাকো বাদ নিদি যি তীব্ৰ আৰু কঠোৰ ভাষাৰে সমালোচনা কৰিছিল তাৰ কোনো তুলনা নাই। অপৰিচিত এই ডেকা গৰাকীৰ কথাত নিতান্ত অসন্তুষ্ট আৰু শঙ্কিত হৈ সমবেত অতিথিসকল এজন এজনকৈ অন্তৰ্দ্ধান হ'বলৈ ধৰিলে। আনকি স্বয়ং সভাপতিয়েও বক্তৃতা চুটি কৰিবলৈ আৰু সামৰিবলৈ কেবাবাৰো নিৰ্দ্দেশ দি ব্যৰ্থ হৈ মঞ্চৰপৰা অন্তৰ্দ্ধান হ'ল। আনপিনে সন্মুখস্থ সহস্ৰ ৰাইজৰ কিন্তু গান্ধীজীৰ প্ৰতি আন্তৰিক স'হৰি "কৈ যাওঁক, কৈ যাওঁক" চিঞৰ আৰু মুহুৰ্মূহু হাত চাপৰি। ৰাইজৰ আহ্বানত গান্ধীজীয়েও সভাপতিহীন মঞ্চত থিয় হৈ অগ্নি বৰষা ভাষাৰে দেশৰ দুৰ্দ্দশাৰ কথা কৈয়েই থাকিল। বেচেৰা অনুষ্ঠানৰ গিৰীহত মালব্য বাবুৰ অৱস্থা খাৰাপ। ৰক্তচাপ থকা হ'লে হয়তো তেওঁৰ হৃদযন্ত্ৰই বন্ধ হৈ গ'লহেঁতেন কিজানি! কেইগৰাকীমান অতিথিয়ে মঞ্চৰ পৰ্দ্দাৰ আঁৰত মোহনদাস নামক পাগল

OKDISCD

উত্তেজনক মাতি এনে অশুভ পৰিস্থিতি সৃষ্টি কৰা বাবে মালব্যজীক কেৱল গৰিহণা দিয়াই নহয়, চুই নিকিলালে ইমানহে। মোহনদাসে যে এনে অসঙ্গত অৱস্থাৰ সৃষ্টি কৰিব সেয়া তেওঁৰ অজ্ঞাত বাবে মালব্যজীয়ে অতিথিসকলৰ ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিলে।

স্বাধীনতাৰ আজি চতুৰ্থ দশকত তেনে নৈতিকতা আৰু সৎসাহসেৰে মহীয়ান আৰু বলীয়ান দ্বিতীয় এগৰাকী গান্ধীজীৰ প্ৰয়োজন এইখন দেশত হোৱা নাইনে?

সি যি কি নহওঁক, আমাৰ দেশৰ হৰিজন সকলৰ ধৰ্ম্মান্তৰ গ্ৰহণ যে বৰ্ণবিদ্বেষ সম্ভূত অস্পৃশ্যতা দানৱৰ সৰ্ব্বগ্ৰাসী তিৰ্য্যক আক্ৰমণৰ পৰিণতি সেয়া কিন্তু—অনস্বীকাৰ্য্য। ভাৰতীয় সংবিধানৰ ২৭৫ নং অনুচ্ছেদৰ বিস্ময়কৰ আৰু সকৰুণ ব্যৰ্থতাও ইয়াতেই। অস্পৃশ্যতা মহাব্যাধি নিবাৰণৰ বাবে ৰাষ্ট্ৰযুৰি ব্যাপক আন্দোলন কৰি গান্ধীজী বহুলাংসে সফল কাম হৈছিল; কিন্তু আজি পিতৃহন্তা দেশবাসীয়ে সেই আদৰ্শ দলিয়াই দি কেৱল ক্ষমতা লাভৰ যুদ্ধত প্ৰবৃত্ত হোৱাই নহয়, যথাৰ্থ দেশপ্ৰেমৰ অনুভূতি আৰু আদৰ্শকো জলাঞ্জলী দিছে। দেশৰ দুৰ্বল শ্ৰেণীবোৰ আজি ক্ষমতা লিপ্সু, নীতিহীন ৰাজনীতিকৰ পণ্য—সামগ্ৰীত পৰিণত হৈছে। কোন চৰকাৰৰ দিনত প্ৰশাসনিক ব্যৰ্থতা প্ৰতীয়মান কৰিবৰ বাবে কোনে কেনেদৰে হৰিজন আদিৰ দৰে দুৰ্বল শ্ৰেণীৰ ওপৰত নিৰ্য্যাতন, সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত কৰিছে সেয়া আজি এই দেশৰ শুভশক্তিৰ বাবে এক গভীৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

শুচিবায়ু বিকাৰগ্ৰস্ত এচাম দেশীয়লোকৰ দ্বাৰা হৰিজনৰ গাওঁ আক্ৰমণ, লুণ্ঠন, বন্দুকৰ গুলি আৰু অগ্নি সংযোগেৰে নিষ্ঠুৰ আৰু বৰ্বৰ ভাৱে চলোৱা হত্যালীলা; অনেক ধৰ্ম্মাচাৰ্য্যই বৰ্ণগত উচ্চ-নীচ শ্ৰেণী বৈষম্যৰ সপক্ষে কৰা মুকলি ঘোষণা ইত্যাদি চৰম অমানৱীয় কাৰ্য্য-কলাপৰ সন্দৰ্ভত ইবোৰৰ বিপৰীতে মানৱীয় মূল্যায়ণেৰে প্ৰতিষেধক ৰূপত সাহসেৰে অৱতীৰ্ণ হ'বলৈ দেশৰ সৎনাগৰিকসকল সদা সত্তম নাথাকিলে দেশৰ সংহতিয়েই হয়তো সঙ্কটাপন্ন হ'বগৈ পাৰে।

দক্ষিণ আফ্ৰিকাত এসময়ত কৃষ্ণকায় ভাৰতীয়সকলক শ্বেতকায় ইউৰোপীয়ানসকলে বিচৰণৰ বাবে ব্যৱহাৰ কৰা পথেৰে বিচৰণ কৰিবলৈ দিয়া নাছিল। ভাৰতীয়সকলৰ বাবে আছিল—বোকা-মাটিৰ কেঁচা বাট আৰু শ্বেতকায় ইউৰোপীয়ানসকলৰ বাবে আছিল পকী আলি বাট। বৰ্ণ বৈষম্য সম্ভূত এনে অবিচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাস্থ ভাৰতীয়সকলক সংগঠিত কৰি তীব্ৰ আন্দোলন কৰিছিল। অকল সেয়াই নহয়, বৰ্ণ বৈষম্যৰ বলি হৈ গান্ধীজীয়ে চাহাবৰ জোতাৰ কোবত সমুখৰ দুটা দাঁত পৰ্য্যন্ত হেৰুৱাব লগা হৈছিল। পাছত মহামানৱ গৰাকীৰ মুখত চাহাবী কুকৰ্ম্মৰ স্বাক্ষৰ বৈ যোৱাত বৃটিছজাতি লজ্জিত হৈছিল। সেই ভাৰতীয়ৰেই দেশ,—গান্ধীজীৰ দেশ, আধুনিক স্বাধীন গণৰাষ্ট্ৰ ভাৰতবৰ্ষৰ কোনো কোনো ঠাইত আজিও বৰ্ণ-বৈষম্যৰ পূজাৰী তথা শুচিবায়ু বিকাৰগ্ৰস্ত সকলে হৰিজনসকলক ৰাজপথেদি বিচৰণ কৰাৰ মৌলিক অধিকাৰ

OKDISCD

খৰ্বকৰাৰ উদাহৰণ বিদ্যমান। মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰিবলৈ সমৰ্থবান ভাৰতে এই দেশৰ মাটিৰ বুকুৰপৰা অস্পৃশ্যতাৰূপ অসুৰক চিৰবিদায় দিবলৈ অসমৰ্থ হোৱাটো এক দুঃখজনক কথা। এই দেশত এনে ঠাইও আছে য'ত বেচেৰা হৰিজনসকলে ৰাজহুৱা আলিবাটেৰে বিচৰণ কৰোঁতে ঘণ্টা বজাই যাব লাগে, যাতে সেই ঘণ্টাধ্বনি শুনি পবিত্ৰ দেৱদূত সকল দূৰতেই অস্পৃশ্য হৰিজন দৰ্শন পাপ-পঙ্কিলতাৰ পৰা ৰক্ষা পৰিব পাৰে। নহলে যে বহু তপস্যালব্ধ মানৱী জনমটি অপবিত্ৰ আৰু পশু হৈ যাব, আৰু স্বৰ্গৰ দুৱাৰ হব ৰুদ্ধ!! হায় ধৰ্ম!!!

গতিকেই হৰিজনসকলৰ ধৰ্মান্তৰৰ কাৰণ বিচাৰি কেৱল বিদেশী চক্ৰৰ ভূমিকাৰ সন্ধানতে ক্ষান্ত নাথাকি ৰাষ্ট্ৰৰ প্ৰশাসন যন্ত্ৰ আৰু চিন্তা-নায়কসকলে ওপৰোক্ত স্বদেশী ভূত-পিশাচইতক ধৰা পেলাই তাৰ নিশ্চিত মীমাংসা কৰাটোহে নিশ্চয় সমীচীন হ'ব।

এইখন দেশত ধৰ্মীয় শুচিবায়ু বিকাৰ-গ্ৰস্ততাৰ বলি কেৱল হৰিজনসকলেই হোৱা নাই; জনজাতি সকলো হৈছে। জনজাতি-সকলৰ যি নিজস্ব ভাষা-সংস্কৃতি আৰু ঐতিহ্য আছে সেই সকলোকেই ধৰ্মীয় স্বৰ্গৰাজ্যৰ প্ৰলোভনেৰে অৱলুপ্তিৰ কৰাল গ্ৰাসলৈ চালান দিয়া দেখা যায়। হৰিজনসকলৰ দৰে প্ৰত্যক্ষ অত্যাচাৰৰ সন্মুখীন হব লগা হোৱা নাই যদিও আত্মনিন্দা, আত্ম পৰিচয়ৰ প্ৰতি উদাসীনতা আৰু স্বভাৱজাত নিভাজ সৰলতাই হৈছে জনজাতিসকলৰ সৰ্বনাশৰ মূল; ধৰ্ম ব্যৱসায়ী প্ৰচাৰ লোকে তেওঁলোকৰ মনত আত্মনিন্দাৰ ভাৱ সুমুৱাই দি আৰু বৰ্ণগত উত্থানৰ প্ৰলোভন দেখুৱাই জনজাতীয় ভাষা সংস্কৃতিৰ অপমৃত্যু ঘটাইছে। জনজাতিৰ ভাষাক ভাষা নুবুলি 'দোৱান' বোলা জনজাতীয় পাৰমাৰ্থিক চিন্তা চৰ্চা তথা আচাৰ-আচৰণ ইত্যাদি সামাজিক ৰীতি-নীতিক অস্পৃশ্য জ্ঞান কৰা এইবোৰেই ইয়াৰ কুৎচিত নিদৰ্শন। দেশত এই অপ প্ৰক্ৰিয়াৰে অনেক বীৰ্য্যশালী জাতি-গোষ্ঠী নিজস্ব ঐতিহ্য হেৰুৱাই লজ্জাজনক ভাৱে নপুংসকত পৰিণত হৈছে। অৱশ্যে বহু অপ-কৌশল আৰু প্ৰলোভনে যিসকল জনজাতি জনগোষ্ঠীক টলাব নোৱাৰিলে, সেইসকলে হতভাগ্য হৰিজনসকলৰ দৰে বোবা হৈ নাথাকি সংবিধানিক অধিকাৰ সাব্যস্ত কৰাই নহয়; দেশৰ আনসকলৰ সমান পদক্ষেপেৰে আগ্ৰসৰ হোৱাৰ কুচকাঁৱাজত ব্ৰতী হৈছে। দেশ নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদান আন কাৰোতকৈ কম বুলি তেওঁলোকে নাভাৱে। বৰং দেশৰ কোনো কোনো অঞ্চলত তেওঁলোকৰ অৱদান আন সবাতোকৈ উল্লেখযোগ্য ভাৱে বেছি হোৱাৰ বাবে অহঙ্কাৰহীন গৌৰৱ কৰিব পাৰে। সেইবাবেই তেওঁলোকে আজি সমস্বত্বৰ মৰ্য্যাদা আৰু তাৎপৰ্য্য কি তাক বুজি পায় কাৰণে কাৰো ঘৃণা, অৱহেলা প্ৰৱঞ্চনা আৰু শোষণক বিন্দুমাত্ৰও সহ্য নকৰে।

আত্ম প্ৰতিষ্ঠাৰ উপায় ধৰ্মান্তৰ নহয়। পৃথিবীত প্ৰগতি আৰু মানৱতাৰ শত্ৰু যে 'ধৰ্ম' এয়া সকলো ক্ষেত্ৰতেই আজি দেখা দেখিকৈ প্ৰমাণ হৈছে। মানৱ জাতিৰ বাবে ই আজি

OKDISCD

অভিশাপ স্বৰূপ হৈ পৰিছে। আত্ম-অস্তিত্ব ৰক্ষাৰ কবচ হিচাবে হৰিজনসকলে ধৰ্ম্মান্তৰ হৈ স্বৰ্গৰাজ্য পোৱাৰ পৰিবৰ্ত্তে পুনঃ দুৰ্গন্ধময় মহা-পঙ্কতহে নিমজ্জিত হ'ল। ধৰ্ম্মান্তৰ নোহোৱাকৈও তেওঁলোকে অস্তিত্ব ৰক্ষাৰ অইন বিজ্ঞানসম্মত উপায় গ্ৰহণ কৰিব পাৰিলেহেঁতেন। নৰখাদকৰ গ্ৰাসৰ পৰা ৰক্ষা পৰা অৱশিষ্ট ইহুদীসকল তাৰ উজ্জ্বল নিদৰ্শন? তেওঁলোক আজি বিশ্বৰ ঘৃণিত, অৱহেলিত নিৰ্য্যাতিত সকলৰ বাবে আদৰ্শ আৰু অনুপ্ৰেৰণাৰ উৎস। অৰ্থনৈতিক আৰু সামাজিক মুক্তিৰ পথ ধৰ্ম্মান্তৰ নহয়। ধৰ্ম্মই বীৰ্য্যশালী আহোম, কোচ-কছাৰী, মৰাণ-চুতিয়া ইত্যাদিক নপুংসক শৃগালত পৰিণত কৰাৰ দ'ৰে ইতিহাসৰ শিক্ষা হয়তো হৰিজন সকলে পোৱা নাই। অৱশ্যে যি কেইগৰাকী গুণধন যুক্ত হৰিজন নেতাই দেশৰ স্বাধীনতাৰ জন্ম লগ্নৰ পৰাই দেশৰ শাসন যন্ত্ৰৰ অন্যতম চালক হিচাবে থকাৰ সুবিধা পাই আহিছে, সেইসকল নেতাই হতভাগ্য হৰিজন জনসাধাৰণৰ কল্যাণৰ বাবে বাস্তৱতঃ একোকেই নকৰিলে, সেইসকল নেতাই আজি হৰিজনসকলৰ এই দুৰ্দ্দিনৰ সময়ত লাজত ভূ-লুণ্ঠিত হোৱা উচিত। কাৰণ হৰিজনসকলৰ এই ধৰ্ম্মান্তৰ গ্ৰহণ কোনো পধ্যেই স্বেচ্ছাপ্ৰণোদিত নহয়; এটা অসভ্য শক্তিয়ে তালৈ ঠেলি পঠিওৱাৰ পৰিণতিহে? সেই অসভ্য শক্তিক দেশৰ সভ্যশক্তিয়ে নিৰস্ত্ৰ কৰিব নোৱাৰাটো নিতান্ত লজ্জাজনক কথা।

ধৰ্ম্ম সম্ভূত সেই সৰ্ব্বনাশী অসভ্য শক্তিয়ে কেৱল ভাৰতবৰ্ষকেইযে পীড়া কৰিছে এনে নহয়, গোটেই পৃথিৱীকেই ই গিলি পেলাইছে;

কিন্তু কেনেদৰে? 'এই প্ৰশ্নৰ উত্তৰ স
মানৱতাৰ দেশ ভাৰতবৰ্ষত হৰিজন নিৰ্য
বৰ্ণভিত্তিক ধৰ্ম্মীয় উচ্চ-নীচৰ বিচাৰ;
শান্তি আৰু সাম্যবাদৰ অনুগামী যাংক
পাকিস্তান ইৰাণ-ইৰাক, মিচৰত আজি
গোড়ামী আৰু অন্ধতাৰ উন্মাদনা আৰু নৰহ
খেল? দক্ষিণ আফ্ৰিকা আৰু মানৱ
আব্ৰাহাম লিঙ্কনৰ দেশ আমেৰিকাত বগা-
বিদ্বেষক ধৰ্ম্মীয় মহানুভৱতাই নিৰাময়
পৰা নাই কিয়? তথাগত বুদ্ধৰ অমৰজ্যো
জ্যোতিষ্মান চীনদেশত ৫ কোটি চেচুৱানৰ
সংঘটনৰ সময়ত ধৰ্ম্মৰ দেৱতাসকল কেনে
গাতত তপস্যামগ্ন আছিল হ বলা! শ্ৰী
আজি তামিল নিৰ্য্যাতন কিয়? অমৰ
ক্ষমাৰ দেৱদূত মহাপ্ৰভু যীশুৰ প্ৰজ্ঞাৰে প
জাৰ্ম্মেনী তথা সমগ্ৰ ইউৰোপতে ধৰ্ম্মীয় প্ৰব
ধৰ্ম্মযুদ্ধৰ নামত ব্যাপক নৰহত্যা, ইহুদী বি
৬০ লাখ ইহুদী হত্যা ইত্যাদি পৈশ
মানসিকতাৰ ইমান প্ৰাদুৰ্ভাৱ কেনেকৈ হ'
পালে? নৰখাদক এডলফ্ হিট
আইকমেন, গোৱেৰিঙৰ, বিবেক-মগজুৰ ও
ধৰ্ম্মগুৰুসকলৰ প্ৰভাৱ কেনেকুৱা আ
বাক? মহান কবি-নাট্যকাৰ শ্বেক্সপীয়েৰৰ ৰচ
ইহুদী বিদ্বেষ আৰু বিদ্ৰূপৰ বৰ্ণনা বি
বিশ্বত ৰাজনৈতিক আৰু ধৰ্ম্মীয় সাম্ৰাজ্য বিস
কৰ্ত্তা সুসভ্য ইংৰাজ জাতিৰ দেশ ইংল্য
আজি এচীয়জসকলৰ ওপৰত বৰ্ণবাদী
এনক পাৱেলৰ নেতৃত্বত নগ্ন আক্ৰমণ চ
সময়ত সেইদেশৰ ধৰ্ম্মগুৰুসকল নীৰৱ কি
আকো সেই বিশ্বযুদ্ধ দুৰ্য্যোধনৰ নায়ক-অধিন

OKDISCD

তথা সৈনিকসকলৰ আটায়েই জানো নাস্তিক আছিল? আকৌ ধৰ্ম্মক ঘিণাওতা জনকেই জানো নাস্তিক বোলা হয়? কেতিয়াও নহয়! বৰঞ্চ তেওঁলোক আছিল উচ্চ প্ৰশংসিত ধৰ্ম্ম কিছুমানৰ অনুগামী। তেনেহলে মহাযুদ্ধৰ সময়ত, লাখ লাখ নৰহত্যাৰ সময়ত, নিৰপৰাধ হিৰোশ্বিমা আৰু নাগাচাকিত আনবিক বোমা পেলোৱাৰ সময়ত সেই ধৰ্ম্মীয় বিচাৰ-বিবেক-বিবেচনা, মানৱীয় অনুভূতি আকুতিৰ উন্মেষ সৃষ্টিকৰাত সেই বহু উচ্চ প্ৰশংসিত ধৰ্ম্মসমূহ ব্যৰ্থ হৈছিল কিয়? ধৰ্ম্মীয় মছলাৰ গুণ কৰ্পূৰৰ দৰে উৰি সাং হৈছিল নেকি তেতিয়া? সামগ্ৰীক ভাৱে এনেদৰে মানৱজাতি ধ্বংসৰ কৰাল গ্ৰাসত পতিত হোৱাৰ সময়ত থিতাতে হাতভৰি লুকাই ধৰ্ম্মই কোনোবা অজান ঠাইলৈ পলায়ন কৰে কিয়? মানুহক দেৱতা কৰিব পৰা ধৰ্ম্মৰনো নৈতিক মনোবল ইমান দুৰ্বলনে?

প্ৰকৃততে যীশু, মহম্মদ, বুদ্ধদেৱ, জিন আৰু সহস্ৰ ঋষি-মুনিসকল ধৰ্ম্ম প্ৰবৰ্ত্তক আছিল নে মানৱতাৰ প্ৰৱৰ্ত্তক আছিল? তেওঁলোক আছিল মানৱতাৰ প্ৰৱৰ্ত্তক। সেইবাবেই তেওঁলোকে চৰম শত্ৰুকো দয়াৰ্দ্ৰ হৃদয়েৰে কেৱল ক্ষমা কৰাই নহয় তাৰ অন্তৰো জয় কৰিছিল আৰু তেনেদৰেই তেওঁলোক পৰিণত হৈছিল অমৃতৰ সন্তানত। পৰৱৰ্তী কালত তেওঁলোকৰ অন্ধঅনুগামী সকলেই সিবোৰক একো-একোটাকৈ ধৰ্ম্মীয় মতবাদৰূপে প্ৰচাৰ আৰু প্ৰসাৰণৰ কামত লাগি মানুহৰ মাজত ধৰ্ম্মীয় বিভেদ সৃষ্টি কৰাই নহয়, মানৱতাকো তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি পঠাইছে।

মহম্মদীয়ান তৰোৱাল, খৃষ্টিয় বন্দুক আৰু হিন্দুৰ সুদৰ্শন চক্ৰই পৃথিবীত কিমানবাৰ নৰশোণিতেৰে নদী বোৱালে, কিমান জাতি-উপজাতিৰ সৰ্ব্বনাশ সাধিলে, কিমানবাৰ মানৱতাৰ মৃত্যু ঘটালে তাৰ হিচাব দিব পৰা নাই সংখ্যাই হয়তো গণিত শাস্ত্ৰত নাই। কত ৰক্তপাতেৰে কত মন্দিৰক কৰা হ'ল মছজিদ, কত মছজিদক কৰা হ'ল মন্দিৰ, কত মন্দিৰ-মছজিদক কৰা হ'ল গীৰ্জা আৰু কত গীৰ্জ্জাক কৰা হ'ল মন্দিৰ মছজিদ। সেইদৰে মানুহক কৰা হ'ল ধৰ্ম্মান্তৰ; কিন্তু ইয়াৰপৰা মানৱ জাতিয়ে পালে কি? স্বৰ্গ বেহেস্তে নে হেভেন? কৰুণ পৰিণতি এইটোহে যে তেওঁলোকে যথাৰ্থতে পালে এটা বিৰাট শূণ্য। সেই-বাবেই ধৰ্ম্মৰ ইতিহাস হৈছে মানৱজাতিৰ ভণ্ডামী আৰু বলিয়ালিৰ ইতিহাস। আফিঙৰ ইতিহাস। ধৰ্ম্ম আৰু আধ্যাত্মিকতা একে বস্তু নহয়! কোনো বিশেষ ধৰ্ম্মৰ মাৰ্কা নোলোৱাকৈও এজন মানুহ আধ্যাত্মিক চিন্তা চৰ্চ্চাত দীপ্তিমান হ'ব পাৰে। অৱশ্যে ইয়াত আমি মাৰ্ক্সবাদীৰ হজ, ভেটিকান চিটি কিম্বা গয়া-পুৰী, কাশী-বৃন্দাবন যাত্ৰাৰ কথা কোৱা নাই। মাৰ্ক্সবাদৰ য'ত বাস্তৱনায় হৈছে সেইবোৰ দেশত গান্ধীজীৰ বন্দনা আৰু ভাৰতীয় মাৰ্ক্সবাদীৰ মুখত গান্ধীজীৰ নিন্দা বাক্য প্ৰকাশ হয় বুলি জনা যায়। গান্ধীজী জানো কোনো ধৰ্ম্ম প্ৰৱৰ্ত্তক আছিল? — নিশ্চয় নহয়। ধৰ্ম্মীয় গোড়ামীৰ বিৰুদ্ধে যে গান্ধীজীয়ে কঠোৰ সংগ্ৰাম কৰি অৱশেষত তেওঁক হিংসাৰ জুইত আত্মহুতি দিব লগা হ'ল, এয়া জানো কোনোবা সন্ত্যবাদীৰ

OKDISCD

গুচৰত অনস্বীকাৰ্য্য।

যি যিকি নহওঁক, বিশ্বৰ কোনো ধৰ্ম্মই সমালোচনাৰ উৰ্দ্ধত নহয়। ধৰ্ম্মীয় সমালোচনাক সহ্য কৰাৰ সহনশীলতা হয়তো বহুতৰেই নাথাকিব পাৰে ; কিন্তু বিশ্বৰ মানব জাতিৰ অস্তিত্ব ৰক্ষা তথা কল্যাণৰ বাবেই ইয়াৰ অন্ধত্বৰূপ গোড়ামীৰ জাল ফালি-চিৰি ওলাই আহি বাস্তৱ আৰু দৃশ্যমান স্বৰ্গৰাজ্য ৰচনা সহজেই কৰিব পৰা যায়।

টিলা মাটিত হগা বিড়ালীৰূপ ধৰ্ম্মই চুকণীৰ খোজেৰে মানুহৰ বিবেক ৰূপ ৰন্ধন শালত সোমাই জ্ঞানৰূপ ভজামাছ গিৰীহঁতৰ অলক্ষিতে চুৰকৰি খায়। ই মায়াবী সৰ্পৰাজ তক্ষক স্বৰূপো। ই পৃথিৱীৰ অনেক সৰল সুস্থ জনগোষ্ঠীৰ ব্ৰহ্মতালুত দংশন কৰি সিহঁতৰ স্বকীয় অস্তিত্বকেই খটম কৰিছে। এই আপাহতেই আমি উদাহৰণ স্বৰূপে অসমৰ জনজাতিসকলৰ অন্তৰ আৰু বহিৰ্দ্দশাৰ কথাকেই আঙুলিয়াব পাৰোঁহক। যি ধৰ্ম্মলৈকেই ধৰ্মান্তৰ নহওঁক কিয়, এই প্ৰক্ৰিয়াৰ বলি হোৱা প্ৰতিটো জনজাতি জনগোষ্ঠীয়েই নিজস্ব ঐতিহ্যময় সু-সংস্কৃত পৰম্পৰা, কলা-সংস্কৃতি সভ্যতাক কিয়দংশ হলেও বিসৰ্জন দিবলৈ বাধ্য হৈছে। ধৰ্ম্মীয় কাণ ফুচ ফুচ মন্ত্ৰজালত বান্ধ খাই বিচাৰ শক্তি হেৰুৱাই তেওঁলোকৰ এক বুজন সংখ্যকে নিজৰ মাতৃভাষা পৰ্য্যন্ত বিসৰ্জ্জন দিয়েই ক্ষান্ত থকা নাই ; জাতীয় সংস্কৃতিৰ মৌলিক সত্বাস্বৰূপ নৃত্য-গীত, বাদ্য-ভাণ্ড পৰ্য্যন্ত ত্যাগ কৰি নিজকে ধৰ্মীয় ভুচুংপছু ৰূপত সজাই তুলিছে। শতবাৰ, সহস্ৰ কোটিবাৰ ধিক্ এনে সভ্য প্ৰক্ৰিয়াক !!! এনে অসভ্য প্ৰক্ৰিয়াৰ যাদুদণ্ডৰ নিৰ্দেশত কোনো কোনোৱে এনেদৰেও উচ্চৈস্বৰে আস্ফালন কৰা পৰিলক্ষিত হয় যে— 'মানুহ হিচাবে জীয়াই থাকিব খুজিলে অমুক ধৰ্ম্ম গ্ৰহণ কৰা উচিত। অমুক ধৰ্ম্মতকৈ অমুক ধৰ্ম্মহে শ্ৰেষ্ঠ আৰু সত্য। অমুক ধৰ্ম্ম গ্ৰহণ কৰা লোকসকলহে শিক্ষিত, ধনী-মানী। অমুক ধৰ্ম্ম গ্ৰন্থহে সত্য, অমৃত ; তমুক-ভমুকবোৰ অসত্য, ভুৱা ইত্যাদি।

আজিৰ ভাৰতত ধৰ্ম্মৰ ভিত্তিত প্ৰকৃত ভাৰতীয় বিচাৰি পাবলৈ হ'লে কিছু কষ্ট কৰিব লগাত পৰে। কাৰণ ধৰ্ম্মই কিয়দংশ হলেও দেশপ্ৰেমৰ ক্ষেত্ৰত আউল লগোৱা যেন লাগে। কাৰণ এই দেশৰ এক বুজন সংখ্যক নাগৰিকৰ ধৰ্মীয় "পবিত্ৰ ভূমি' বা 'হোলিল্যেণ্ড' বিদেশতহে অৱস্থিত। কাজেই ধৰ্মীয় আকৰ্ষণে নিশ্চয় সামান্য হ'লেও চিন্তাত আউল নলগাকৈ নাথাকে। আকৌ যিসকলৰ ধৰ্মীয় পবিত্ৰস্থান সমূহ দেশৰ ভিতৰতে সিঁচৰিত, সি সকলৰো মনক এনে বিক্ষিপ্ততাই ভগা কাঁচৰ টুকুৰাই গম নোপোৱাকৈ কটাৰ দৰে ক্ষত-বিক্ষত নকৰাকৈ থকা নাই। বছৰি সহস্ৰ সহস্ৰ তীৰ্থ যাত্ৰীয়ে বিদেশস্থ 'পবিত্ৰ ভূমি'ৰ পৰা কেৱল ধৰ্ম্মৰ পুণ্যকেই কঢ়িয়াই আনে নে লগতে ৰাজনৈতিক বিষ বাষ্পযুক্ত দীক্ষা-মন্ত্ৰও বহন কৰি আনে তাৰ কোনো নিশ্চয়তা নিৰ্ণয় কৰা নিশ্চয় সহজ নহয়। যদি এয়া অসত্য, তেনেহ্লে দেশৰ স্বয়ং প্ৰধান মন্ত্ৰী গৰাকীয়েও হৰিজনৰ ধৰ্মান্তৰৰ অন্তৰালত বিদেশী ধন বিনিয়োগৰ কথা মুকলি ভাৱে প্ৰচাৰ নকৰিলেহেঁতেন হ'ব পায় ; ভাৰতবৰ্ষ এখন ধৰ্ম্ম

নিৰপেক্ষ দেশ; কিন্তু সেই বুলিয়েই ধৰ্ম্মৰ দোহাই দি যথেচ্ছাই ধৰ্ম্মানুষ্ঠান সমূহক টিৰিল খিলাবলৈ নাকি ছিগা ম'হৰ দৰে এৰি দিলে এই উদৰতাই কেতিয়াবা দেশৰ বাবে অভিশাপো হৈ পৰিব পাৰে। পৃথিবীৰ কেউটা ধৰ্ম্মৰ চৰিত্ৰ 'এগ্ৰেছিভ' (aggressive)। তবে তাৰে ভিতৰত কোনোটো অতি উগ্ৰ, কোনোটো নৰম উগ্ৰ আৰু কোনোটো চেনিৰ প্ৰলেপ যুক্ত কুইনাইনহে যেনিবা।

দৰিদ্ৰতাৰূপ ড্ৰেগনে যিখন দেশৰ নাগৰিক সত্তাৰ ৭৫% অংশক গ্ৰাস কৰি আছে, সেইখন দেশৰ নাগৰিকে অবাস্তৱ কল্পিত স্বৰ্গলাভৰ কামনাত 'হোলি-ল্যেণ্ড' কিম্বা তীৰ্থস্থানলৈ যাত্ৰা কৰোঁতে বছৰি যি কোটি কোটি টকা খৰচ কৰে সেয়া নিশ্চয় ল'ৰা-ছোৱালীয়ে পুজাৰ বেলুন কিনি কৰা অপচয়ৰ দৰে নধৰ্ত্তব্য নহয়।

কোনো কল্পিত দেৱতাক পূজা কৰাতকৈ বৰং আটাপিহা যাঁতখনকেই পূজা কৰিবলৈ গান্ধীজীয়ে কৈ গৈছে। গান্ধীজীৰ এই কথাৰ তাৎপৰ্য্যৰ লগত সঙ্গতি ৰাখি এই দেশৰ কোনোবা তীক্ষ্মধী অৰ্থশাস্ত্ৰীয়ে এই সত্য প্ৰকাশ কৰিবলৈ নৈতিক সাহস গোটাব পাৰিছেনে যে – মন্দিৰ, মছজিদ, গীৰ্জা, দোল-দেৱালয় ইত্যাদিৰ নামত এইখন গৰীব দেশৰ লোকে যিমান ধন আৰু পৰিশ্ৰম, মগজু, সময় ইত্যাদি খৰচ কৰিছে, সেইখিনিৰে শিক্ষা আৰু কৃষি সম্প্ৰসাৰণ আৰু জনস্বাস্থ্য ৰক্ষাৰ প্ৰভৃত উন্নতি সাধন কৰিব পৰা গ'লহেঁতেন? অকল জানো সেয়াই? কত সহস্ৰ পুণ্যাৰ্থী পাগলে নিতৌ সহস্ৰ সহস্ৰ মুদ্ৰা ব্ৰহ্মপুত্ৰ, গঙ্গা যমুনা ইত্যাদি নদী আৰু সাগৰৰ বুকুত দেখ দেখ ভাৱে দলিয়াই দেশৰ অৰ্থ সংকট বৃদ্ধি হোৱাত ইন্ধন যোগায়েই আছে তাৰ হিচাব আৰু প্ৰতিকাৰৰ ব্যৱস্থা কোনে কৰিছে? কোনে জানে আমাৰ দেশৰ কোনোবা গৰাকী প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়েও কোনোবা নদী আৰু সমুদ্ৰত এনেদৰে পুণ্য কামনাৰ্থে মুদ্ৰা নিক্ষেপ কৰা নাই !!! হায়! ধৰ্ম্মই এনেদৰেও মানুহক শোষণ কৰিছে। পৃথিবীৰ ভিতৰত হয়তো ভাৰতবৰ্ষই হ'ব এনে এখন দেশ, য'ত বৰ্ত্তমানেও নতুন নতুনকৈ কিছুমান পোৱালী ধৰ্ম্মৰ জন্ম হৈয়েই আছে। পৃথিবীৰ অইন ঠাইত বোধহয় এনেদৰে আৰু নতুন কোনো ধৰ্ম্মৰ জন্ম হোৱা নাই—মাথো পুৰণাকেইটাই ৰাজ্য বিস্তাৰ কৰি আৰু ৰাজ্য হেৰুৱাই চক্ৰৱৰ্ত্তী ৰজা হৈ আছে। আজি-কালি আমাৰ দেশত ধৰ্ম্মৰ বিজিনেচ্ চিণ্ডিকেট পৰ্য্যন্ত তৈয়াৰ হৈছে। মধ্যযুগৰ ইউৰোপত স্বৰ্গলৈ যোৱা টিকত বা ইণ্ডালজেন্স পেপাৰ বিক্ৰী হোৱাৰ দৰে আমাৰ আজিৰ দেশতো এই চিণ্ডিকেট সমূহে স্বৰ্গৰ টিকত লাখৰ হাৰত বেচে। বিশ্ববিদ্যালয়ৰ শীৰ্ষতম ডিগ্ৰী থকাই নহয়, বিজ্ঞানৰ গবেষক, আইনজ্ঞ আৰু মাৰ্ক্সীয় দৰ্শনৰ লগত পৰিচয় থকা লোকেও এই টিকট খৰিদ কৰা সততে দেখা যায়। এই দেশৰ আটাইতকৈ আমোদজনক কথা এইটোৱে যে মেজিচিয়ান এজনো ইয়াত অৱতাৰী ধৰ্মগুৰু তথা ঈশ্বৰ বেত্তা ৰূপে অনায়াসে পূজা অৰ্চ্চনা পায়। একেলগে এখন মেজিক স্কুলত মেজিক শিক্ষা কৰা দুজন বন্ধুৰ এজন হলগৈ অৱতাৰী বাবা আৰু আনজন হৈ থাকিল বজাৰে বজাৰে ডম্বৰু বজাই খেল দেখুওৱা মেজিকৱালা। এই

অপ্ৰিয় সত্যক কেন্দ্ৰ কৰি এই দেশত ইতিমধ্যে বহু তৰ্কবাদ হৈ গৈছে আৰু হৈ আছে। কোনোবাইবা আকৌ ৰজাপুতেই ৰজা মৰাৰ পাছত সিংহাসনত বহাৰ দৰে পিতৃৰ মৃত্যুৰ পাছত পুত্ৰই ধৰ্ম্ম-সাম্ৰাজ্যৰ সিংহাসনত বহি সহস্ৰজনক বান্দৰ নাচ নচুৱাই ধৰ্মান্ধ নিঃকিন জনৰো তেজ পুঁজ খাই নোদোকা মহাৰাজ হৈ থকাৰ প্ৰত্যক্ষ উদাহৰণো এই দেশতেই বৰ্ত্তমান। ধৰ্ম্ম নিৰপেক্ষতাৰ নামত এইবোৰ ভণ্ডামীক ৰাষ্ট্ৰই প্ৰশ্ৰয় দি থাকিলে এই দেশৰ ভবিষ্যৎ কি হ'বগৈ পাৰে বাৰু !

আকৌ সেই বহু ইপ্সিত স্বৰ্গৰাজ্যই বা ক'ত ? উদ্দেশ্য সন্ধানী শোষকহঁতৰ হাতত। তেনে শোষণৰ কিছু পুৰণি তিনিটা উদাহৰণ দাঙি ধৰি বৰ্ত্তমানৰ যুৱক-যুৱতীসকলক তাৰ পৰিণতি উদ্দেশ্য আৰু তাৎপৰ্য্য উপলব্ধি কৰাৰ অৱকাশ দিয়া হ'ল। যথা—

(১)

প্ৰাক স্বাধীনতা কালৰ ঘটনা। গোৱালপাৰা জিলাৰ দোতমাৰ কিছু উত্তৰ পশ্চিমে থকা 'ৰাওৰা-লোঙা' নদীৰ মাজৰ গাওঁ 'লাও-দোঙা'ৰ ৺মাথা হাল্ল'াং বড়োই ৰামায়ণ, মহাভাৰত আৰু গীতা ভাগৱত কলিকতাৰ পৰা মগাই আনি অধ্যয়ন কৰিবলৈ লয়। নিজে লিখাপঢ়া নজনা বাবে স্থানীয় এম.ভি স্কুলৰ এগৰাকী বঙালী নৰ্ম্মাল শিক্ষকৰ হতুৱাই ওপৰোক্ত শাস্ত্ৰবোৰ পাঠ কৰোৱাই তাৰ শ্ৰৱণ কৰে। এই খবৰ গৈ বিলাসীপাৰা চহৰৰ মাৰোৱাৰীসকলৰ কৰ্ণগোচৰ হ'লত, কাণত যেন কোনোবাই গৰম সীহহে ঢালি দিলে। গতিকেই উক্ত মাৰোৱাৰীসকলে ইয়াৰ বিচাৰ কৰাৰ উদ্দেশ্যে মহাজন মাথাহাল্ল'াং আৰু পণ্ডিত শিক্ষক গৰাকীক এগাৰী মৰাপাট আৰু উক্ত শাস্ত্ৰপুথিবোৰ সহ যাবলৈ মাতি পঠিয়ালে। নিৰ্দ্দেশ তামিল কৰি হুয়ো সেইমতেই চহৰৰ মাৰোৱাৰীহঁতৰ ওচৰ চাপিলত এজন অশৰণীয়া কছাৰী মানুহে ধৰ্ম্মশাস্ত্ৰ শ্ৰৱণ কৰা অপৰাধত লৈ যোৱা পুথি কেইখন আৰু মৰাপাটী গাৰীসহ মাথাহাল্ল'াং ওৰফে ৺বেলিৰাম বড়োক মগদ ৫০০'০০ পাঁচশ টকা জৰীমনা ঘোষণা কৰি কয় যে গোস্বামী প্ৰভুৰ ওপৰত শৰণ লৈ ধৰ্ম্ম গ্ৰহণ কৰিলে উক্ত জৰীমনাৰ পৰা ৰেহাই দিয়া হ'ব ( সেই সময়ত ৰাভা' বড়ো, ইত্যাদিয়ে তেনেদৰে শৰণ লৈ 'সৰুকোচ' হোৱাৰ এটা আত্মহত্যামূলক চখ উঠিছিল )। মাৰোৱাৰী-সকলৰ এনে দাবীত সম্মত নহৈ মাথাহাল্ল'াঙে এই কথাৰ বিৰুদ্ধে পাট গাঁৱৰ মৌজাদাৰ ৰায়বাহাদুৰ জগতচন্দ্ৰ বড়োৰ ওচৰত গোচৰ দিলত কথাগৈ শ্ৰীমৎ পৰমহংস কালীচৰণ ব্ৰহ্ম (ডাঙৰ জনা), টিকিৰাম, মোছা গুৰুৰ (কাতিৰাম), মোছা গোছাম ( বীণাৰাম ) আদিৰ শেহাকাণ্ড পৰিল আৰু ডেৰ্ত্তলোকে লগে লগে উক্ত মৌজাদাৰৰ নঙলাতে ইয়াৰ এখন বিৰাট ৰাজহুৱা বিচাৰ সভা পাতি উক্ত মাৰোৱাৰী কেইজনক মতাই আনি নগদ ৫০০০'০০ পাঁচ হাজাৰ টকা জৰীমনা কৰে।

( ২ )

বৃটিছ আমোলত নলবাৰীৰ অনেক গোস্বামী প্ৰভুৱে টুপলীয়াৰ কছাৰী মানুহৰ মাটিৰ খাজনা-চৰকাৰক নিজে সোধাই মণ্ডলৰ চিঠাত মাটিৰ

OKDISCD

গৰাকীৰ টিপচহী মৰোৱাই নিজৰ নামত নাম-জাৰী কৰি লয়। তেনেদৰে পোৱা টুপলীয়াৰ এডোখৰ বস্তিমাটিত উক্ত গোস্বামী প্ৰভুয়ে তেওঁৰ যজমান ভক্তগণৰ দ্বাৰা কুঁহিয়াৰ খেতি কৰোৱায়। কুঁহিয়াৰ যেতিয়া পূৰঠ হ'ল তেতিয়া এদিন বাদাং চিকাৰীৰ দেউতাকে তাৰে এডাল কাটি খালত, অশৰণীয়া এজন কছাৰী মানুহে কুঁহিয়াৰ বাৰীত সোমোৱাৰ বাবে গোস্বামী প্ৰভুৰ কুঁহিয়াৰৰ বাৰীখনেই চুঁৱা হৈ পৰিল। ইয়াৰ শাস্তি স্বৰূপে ৫০০.০০ পাঁচশ টকা আদায় দিব নোৱাৰি ৫০/৬০টা গৰুৰে গঠিত গৰুৰ পাল এটাকেই ভৰিব লগা হয়। এই ঘটনাৰ পাঁচ বছৰৰ পাছত ব্যক্তি গৰাকীয়ে একেজনা গোস্বামী প্ৰভুৰ মাটি আধি-চুকুণা খাওঁতে হ লোৱা গৰুৰ অভাৱত বাঁজী গৰুৰে হাল বোৱাত প্ৰভুৰ মাটিখিনিয়ে এইবাৰ চুৱা হৈ যায়। ফলত ইয়াৰ শুদ্ধিকৰণৰ বাবে তাক ২৪০.০০ (দুশ চল্লিশ) টকা জৰীমনা কৰা হয় যদিও টকা আদায় দিব নোৱাৰাত অপৰাধীয়ে ১২ বিঘা জমি আৰু দুহাত দৈৰ্ঘ্যৰ এড়িয়াচাদৰ এযোৰ আৰু সোণৰ ফুটী (থুৰীয়া) এযোৰ আৰু ডাঙৰ থাৰী এটা গোস্বামী প্ৰভুত অৰ্পণ কৰিব লগা হয়। অৱশ্যে ইমানবোৰ সত্বেও মানুহজন গোস্বামী প্ৰভুৰ ওচৰত নিজত্বক বিসৰ্জন দি 'সৰুকোছ' নোহোৱাকৈ থাকিল।

ধৰ্ম্মৰ পশ্চিমীয়া আৰু দেশীয় গৰাড উকলিপুঙা হোৱা আমাৰ এচামে এই দৃঢ়তাক নিজৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰেনে? নিশ্চয় পাৰে। প্ৰয়োজন মাথোঁ আত্ম বিশ্লেষণৰ আৰু ধৰ্মীয় গোড়ামী পৰিত্যাগৰ।

( ৩ )

—উত্তৰ কামৰূপৰ ধমধমাৰ জনজাতীয় এটি চুবুৰীত হোৱা ইং ১৯৩৫ চনত (বাং ১৩৪২ চন) নৱবৰ্ষৰ গুৰুপূজাত কটোবাৰী গাৱঁৰ 'গোস্বামী প্ৰভু'ক আদৰাৰ এটি নিদৰ্শন ইয়াত উল্লেখ কৰা হ'ল। ধৰ্ম্মৰ অন্ধবিশ্বাস আৰু ভক্তিপ্ৰসূত আবেগে কেনেদৰে মানুহক বুৰ্ব্বক কৰি ৰাখে তাৰেই এয়া এক মুকলি প্ৰকাশ। যথা—



ছবিত দিয়াৰ দৰে বাহৰ সাঙী এখন সজা হৈছিল। সাঙীখনৰ ওপৰত সন্মুখৰ ফালে আগলতি কলপাত পাতি চাকি-বন্তি জ্বলাই ঠগী এখন থাপি পৰিব নোৱাৰাকৈ তাক সাঙীৰ লগত বন্ধা হৈছিল। ঠগীৰ কাষতেই গোস্বামী প্ৰভুই পদ্মাসনত বহি দুয়োকান্ধ সংকাই নতুন কাপোৰেৰে ক্ৰছ (X) কৰাকৈ সাঙীৰ মাৰিৰ লগত নিজক যুঁটি লয়, যাতে সাঙীৰ পৰা বাগৰি নপৰে। গোস্বামী প্ৰভুৰ গাত চোলা নাই। পিন্ধনত কেৱল শুভ্ৰ ধুতি। হাতত চৌৰাশী ঘাণ্টি।

সকলোখিনি যোগাৰ হৈ উঠাৰ পাছত চাৰি গৰাকী থূলন্ত পুৰুষ ভক্তই সাঙীখন প্ৰভুসহ কান্ধত তুলি লয় আৰু তেনেদৰে গাওঁ পৰিভ্ৰমন আৰম্ভ কৰে। ভাৰীকেইজনে খোলৰ তাল ৰক্ষা কৰি লয়লাস নৃত্যৰ ছন্দত আগবাঢ়ি যায় আৰু সাঙীস্থ গোস্বামী প্ৰভুই চৌৰাশী ঘাণ্টিটো বজাই বজাই তালত দিয়া সংকীৰ্ত্তনটি উচ্চস্বৰে গায় আৰু সমদ'লত থকা আবাল বৃদ্ধ বণিতা ভক্তগণে তাল লয়,

OKDISCD

মিলাই খোল-তাল বজাই মুহুর্মুহু হৰিধ্বনি জয়ধ্বনি দিয়ে। ধূপ-ধূনাৰ আমোল-মোল গোন্ধৰ মাজত শঙ্খধ্বনি তুলি আৰু চোৰাশীঘাটি বজাই গোস্বামী প্ৰভুই গোৱা শ্লোগানজাতীয় সংকীৰ্ত্তনটি.—

"বোল-বোল হৰি-বোল হৰি-বোল
হৰি-ৰাম হৰি-ৰাম হৰি-ৰাম
স্বৰ্গধাম পাবা তোমালোকে;
কছাৰী, মেছ, ৰাভা
দোৱান এৰিবা তোমালোকে।
তোমালোক আজি উচ্চজাতি হ'লা,
কৃষ্ণ ভগৱানৰ অংশ মই,
তোমালোকৰ স্থান হ'ব স্বৰ্গধামত।
হৰিবোল হৰিবোল বোল হৰিবোল ॥ ইত্যাদি।

এই শোভা-সমদল যাত্ৰাৰ শেষত বাঙ্গহুৱা নামঘৰৰ প্ৰাঙ্গণত গোস্বামী প্ৰভুক সুসজ্জিত আসনত উপবিষ্ট কৰোৱাই ভক্তগণে পাদোদক আশীষ নিৰ্ম্মালি গ্ৰহণ কৰি ৰৌ ৰৌ নৰকৰ পৰা নিজ নিজ চৈধ্য পুৰুষ উদ্ধাৰ হ'ল বুলি প্ৰশান্তি অনুভৱ কৰে।

এনে একে প্ৰকাৰৰ দৃশ্য ইং ১৯৩৬ চনত (বাং ১৩৪৩ চন) পাঠশালা চহৰৰ উত্তৰস্থ কালদিয়া নদীৰ তীৰৱৰ্ত্তী গাওঁ নাওঁশালীতো দেখিবলৈ পোৱা যায়।***

ধৰ্ম্মৰ এই জাতীয় গিলেটিনত ছিন্নমুণ্ড হৈ আহোম-কোচ-কছাৰী-মিছিং-ৰাভা গাৰো-মৰাণ-চুতিয়া-টিৱাঁ ইত্যাদিয়ে নিজৰ বিচাৰ বিবেক হেৰুৱাই মাতৃভাষা সাংস্কৃতিক ঐতিহ্য ঐতিহাসিক গৌৰৱ সকলোখিনিকে জলাঞ্জলি দি নপুংসকত্ব প্ৰাপ্ত হোৱাৰ কথা ইতিমধ্যে প্ৰকাশ কৰা হৈছে।

আত্মচেতনা সম্ভূত যিকোনো ব্যক্তি অথবা জনগোষ্ঠীৰ বাবে এইজাতীয় ঘটনাবোৰ নিশ্চয় অপমানজনক। আধুনিক বিজ্ঞান যুগত এইবোৰৰ পুনৰাবৃত্তি নিশ্চয় সমগ্ৰ মানৱজাতিৰ বাবেই অভিশাপ স্বৰূপ। হতভাগ্য হৰিজনসকল এনে অভিশাপৰেই চিকাৰ নহয়নে? দেশ ব্যাপি সেই অভিশপ্ত অতীতৰ অৱসান ঘটিছেনে? বৃটিছোত্তৰ ভাৰতত জনজাতিসকল আজিও অস্পৃশ্যতা মহাপাপৰ চিকাৰ হোৱা উদাহৰণ আমাৰ হাতত ঢেৰ আছে। আজি গান্ধীজী থকা হ'লে!?!

বিশ্বৰ আটাইতকৈ প্ৰৱল ধৰ্মীয় গোড়ামীৰ নাভিকেন্দ্ৰ মধ্যপ্ৰাচ্য বিশ্বৰ ভিতৰতেই জঘন্যতম ব্যভিচাৰৰো উদ্দাম লীলা নিকেতন। ধৰ্ম্মৰ ইমানেই মহীয়সী গুণ! অথচ ধৰ্ম্মক বিদায় সম্ভাষণ দি নতুনকৈ গঢ়ি তোলা দেশ চীন আৰু চোভিয়েত ৰুচিয়া আজি কেৱল যে জাতিভেদ, বৰ্ণভেদৰ উৰ্দ্ধত অৱস্থিত সেয়াই নহয়, বাস্তৱতঃ অৰ্থনৈতিক ভাৱে সমৃদ্ধ, শান্তি-সুষমাময়া। সিবোৰ দেশত বিজ্ঞানসন্মত ভাৱে সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন সাধন কৰা হৈছে। আমাৰ দেশখনকো আমি এই দেশৰ পৰা ধৰ্ম্মীয় ভণ্ডামীক বিদায় সম্ভাষণ জনাই ভাৰতীয় মনস্তত্বৰ মাধ্যমেৰেই নতুনকৈ গঢ়ি তুলিবৰ বাবে সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰিব নোৱাৰোনে?

২ অক্টোবৰ : গান্ধীজয়ন্তী
১৯৮১ ইং : টুপলীয়া।

* উল্লেখিত ঘটনা তিনিটাৰ কথাখিনি চেঁচাপানী গাৱঁৰ শ্ৰীলক্ষ্মীৰাম বৰপাত্ৰৰ পৰা প্ৰাপ্ত ; —লিখক।

OKDISCD

# বড়োসকল ঃ অতীজৰপৰা বিশ্বসুন্দৰদেৱৰ সময়লৈ—

॥ ৰামদাস বড়ো, এম-এ, ই-টি ।

১। সমল ( Sources )

প্ৰাচীন অসমৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে কেইটিমান কথা আমাৰ মনলৈ আহে। অসমৰ ধাৰাবাহিক বুৰঞ্জী নাই। পুৰণি কথাবোৰ বিভিন্ন সমলৰপৰা গোটোৱা হৈছে। প্ৰাচীন লিখাসমূহ যেনে ৰামায়ণ, মহাভাৰত, পুৰাণ, যোগিনীতন্ত্ৰ আৰু বিভিন্ন ৰাজবংশাৱলী, শিলালিপি, মুদ্ৰা আৰু নিদানবোৰ এই সমলৰ অন্তৰ্ভুক্ত। সেয়ে দ্বিধাবিহীন ভাবে কব পাৰি এই কথাবোৰ সম্পূৰ্ণ নিৰ্ভুল নহয়। ইবোৰত গৱেষণাৰ প্ৰভূত থল আছে।

২। চমু ইতিহাস

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তীয় অঞ্চল মানব জাতিৰ যাদুঘৰ। ইয়াত বিভিন্ন ভাষা আৰু ধৰ্মৰ লোক বাস কৰে। এওঁলোকৰ আচাৰ ব্যৱহাৰ, জীৱন-ধাৰা আৰু চিন্তা চৰ্চা জনগোষ্ঠীভেদে ভিন ভিন। এওঁলোকক বিভিন্ন মহাজাতিশাখাত ভগাব পাৰি-এসিৰীয়ান দ্ৰাবিড়ীয়ান, নিগ্ৰোয়েড, মঙ্গোলয়েড আৰু অষ্ট্ৰিক। এই আটাইবোৰ মহাজাতিৰ বিষয়ে আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। ইয়াত কেবল মঙ্গোলয়েড মহাজাতিৰ কথাহে কেইটামান থোৰতে আলোচনা কৰা হব।

উত্তৰ-পূব অঞ্চলত মঙ্গোলয়েড মহাজাতিৰ লোকৰ সংখ্যাই সৰ্বাধিক। প্ৰাক্ ঐতিহাসিক কালৰেপৰাই এওঁলোক বিভিন্ন সময়ত বিভিন্ন ঠাইত ভিন ভিন পৰিচয়েৰে বসবাস কৰি আহিছে। ৰামায়ণ, মহাভাৰত আৰু আন আন প্ৰাচীন পুথিবোৰত উল্লেখিত দানব, অসুৰ, দৈত্য, কিৰাত ম্লেচ আৰু কোচসকল মঙ্গোলীয়। পিছলৈ এওঁলোক বড়ো নামে অভিহিত হয়। হগসন চাহাবে 'বড়ো' শব্দটো পোন প্ৰথমে ব্যৱহাৰ কৰে বুলি The Linguistic survey of India ত উল্লেখ আছে। কাছাৰৰ ডিমাছা, ত্ৰিপুৰাৰ বৰোক, উত্তৰবঙ্গৰ মেছ, নেপালৰ খিৰান্থি, ভূটানৰ লেপচা, অসমৰ মিমল, হাজোং সোণোৱাল, চুটিয়া, ঠেঙাল, মিৰি, মিকিৰ, কোচ আৰু ৰাভাসকল বড়ো প্ৰজাতিৰ অন্তৰ্ভুক্ত।

প্ৰাচীন কামৰূপৰ মঙ্গোলীয় মহাজাতিৰ প্ৰথম ৰজাজনৰ নাম মহিৰঙ্গ বুলি ঠাৱৰ কৰা হৈছে। এওঁ দানব বংশীয়। এওঁৰ ৰাজধানীৰ নাম মইৰং। গুৱাহাটীৰ দক্ষিণে বেলটলাৰ ওচৰত মাইৰং নামৰ এটি পাহাৰ আছে। ইয়াতেই মহিৰঙ্গই তেওঁৰ ৰাজধানী পাতিছিল। পিছৰ ৰজাসকলৰ নাম হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰ।

দানব বংশৰ পিছত অসুৰ বা ভৌম বংশই কামৰূপত ৰাজত্ব কৰে। নৰকাসুৰ এই বংশৰ প্ৰতিষ্ঠাতা। কৃষ্ণৰ সহায়ত এওঁ ঘটকাসুৰক বধ কৰি কামৰূপৰ ৰজা হয়। এওঁৰ পিছত ৰাজত্ব কৰে পুতেক ভগদত্তই। ভগদত্তৰ পিছৰ ৰজাজনক জনা নাযায়। ডুবি আৰু তেজপুৰ

OKDISCD

নিদানত নৰকাসুৰ আৰু বজ্রদত্তৰ নামোল্লেখ আছে।

প্ৰাচীন অসমৰ প্ৰকৃত ৰাজনৈতিক ইতিহাসৰ পাতনি মেলে ভৌম বংশৰ বৰ্মন ফৈদে (২৭৫ খৃঃ)। পুষ্যবৰ্মণ এই ফৈদৰ প্ৰথম ৰজা। মুঠ ১৩ জন ৰজাৰ দীঘলীয়া ৰাজত্বৰে প্ৰখ্যাত এই ফৈদৰ সৰ্বশেষ ৰজা কুমাৰ ভাস্কৰবৰ্মণ অসমৰ সৰ্বশ্ৰেষ্ঠ ৰজা। ফৈদৰ আন ৰজাসকল আছিল সমুদ্ৰবৰ্মণ, বলবৰ্মণ, কল্যানবৰ্মণ, গণপতিবৰ্মন, মহেন্দ্ৰবৰ্মণ, নাৰায়ণবৰ্মন, ভুতিবৰ্মন, চন্দ্ৰমুখবৰ্মন, স্থিতবৰ্মন, সুস্থিতবৰ্মন আৰু সুপ্ৰতিষ্ঠিতবৰ্মন। ভাস্কৰবৰ্মনে ৫৯৪ খৃঃৰ পৰা ৬৫০ খৃঃলৈ মুঠ ৫৬ বছৰ কাল ৰাজত্ব কৰে। উত্তৰ ভাৰতৰ শ্ৰেষ্ঠ ৰজা হৰ্ষবৰ্দ্ধন এওঁৰ মিত্ৰ আছিল। চীনা পৰিব্ৰাজক ইউয়েন চুৱাঙে ভাস্কৰবৰ্মনৰ ৰাজধানীত ভালেমান দিন কটাইছিল।

ভৌম বংশৰ আন দুটি ফৈদ শালস্তম্ভ আৰু পালে যথাক্ৰমে কামৰূপত ৰাজত্ব কৰে। শালস্তম্ভ ফৈদত মুঠ ১২ জন ৰজা আছিল। এওঁলোক শালস্তম্ভ, বিগ্ৰহস্তম্ভ, পালকস্তম্ভ, বিজয়স্তম্ভ, হৰ্ষদেৱ, বলবৰ্মন, দ্বিতীয় বলবৰ্মন, প্ৰালম্ভ, হৰ্জৰবৰ্মণ, বনমাল, জয়মাল আৰু তৃতীয় বলবৰ্মন। এই ফৈদৰ প্ৰখ্যাত ৰজা আছিল শালস্তম্ভ, হৰ্ষদেৱ, হৰ্জৰবৰ্মন আৰু বনমালবৰ্মণ।

ব্ৰহ্মপাল পাল ফৈদৰ প্ৰথম ৰজা। এওঁৰ পিছত ১০ জন ৰজাই ৰাজত্ব কৰে। এওঁলোক ৰত্নপাল, পুৰন্দৰপাল, ইন্দ্ৰপাল, গোপাল, হৰ্ষপাল, ধৰ্মপাল, জয়পাল, বৈদ্যদেৱ, বল্লভদেৱ আৰু বিশ্বসুন্দৰদেৱ। বিশ্বসুন্দৰদেৱৰ ৰাজত্বৰ কালছোৱাত মুছলমানে তিনি বাৰ কামৰূপ আক্ৰমণ কৰে। প্ৰথম আক্ৰমণ কৰে বখতিয়াৰে ১২০৫-৬ খৃঃত। বিশ্বসুন্দৰদেৱৰ হাতত পৰাজিত হৈ বখতিয়াৰ পলাবলগীয়া হয়। দ্বিতীয় বাৰ আক্ৰমণ চলায় ঘিয়াচ উদ্দিনে ১২২৬ খৃঃত। এই বাৰতো বিশ্বসুন্দৰদেৱৰ জয় হয়। বখতিয়াৰৰ দৰেই ঘিয়াচ উদ্দিনো কামৰূপ ৰজাৰ হাতত পৰাজিত হৈ পলাই সাৰে। তৃতীয় বাৰৰ আক্ৰমণ চলায় ইলটুৎমিচৰ পুত্ৰ নাসিৰুদ্দিনে। এই আক্ৰমণত বিশ্বসুন্দৰদেৱ নাসিৰুদ্দিনৰ হাতত পৰাজিত আৰু নিহত হয়। বিশ্বসুন্দৰদেৱৰ মৃত্যুৰ লগে লগে কামৰূপত মঙ্গোলীয় ভৌম বংশৰ ৰাজত্বৰো ওৰ পৰে।

৩। ধৰ্ম্ম

মঙ্গোলীয় জনগোষ্ঠিৰ মাজত বিভিন্ন মত দেখিবলৈ পোৱা যায়। এই বিভিন্নতাৰ মাজতো এটা মিল আছে। শক্তি পূজা ইয়াৰ এটা দৃষ্টান্ত। বড়োসকলৰ বাথৌ পূজা আৰু খেৰাই নৃত্য শক্তি পূজাৰ নিদৰ্শন। অসমতেই নহয় সমগ্ৰ ভাৰততে ধৰ্ম্মৰ মূল ভেটি অনাৰ্য্য। অসমৰ আৰ্য্য ধৰ্ম্মৰ মূল উপাদান মঙ্গোলীয়। এসময়ত বৈদিক ব্ৰাহ্মণৰ কামাখ্যা মন্দিৰত প্ৰৱেশাধিকাৰ নাছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উল্লেখ আছে যে নৰকে বশিষ্ঠ্যক কামাখ্যাত সোমাবলৈ অনুমতি দিয়া নাছিল। তেতিয়া বশিষ্ঠ্যই ক্ৰোধান্বিত হৈ নৰকক অভিশাপ দিছিল যে যি কামাখ্যা দেবীৰ কৃপাত তেওঁ বলীয়ান হৈ বশিষ্ঠ্যক অপমান কৰিলে সেই দেবীৰ কাৰণেই তেওঁ লাঞ্চিত হৈ এদিন মৃত্যুৰ মুখত পৰিব। শিৱৰ চক্ৰান্তত নৰকে তেওঁক এই দৰে অপমানিত কৰিলে বুলি ভাবি বশিষ্ঠ্যই শিৱকো এই দৰে অভিশাপ দিলে: “আজিৰপৰা তুমি ম্লেচ্ছসকলৰ মাজতে

থাকিব লাগিব। গাত ছাই সানি তুমি নিজে ঘৃণনীয় ৰূপ লবা। ম্লেছৰ বাহিৰে আন কেৱে তোমাক সুপুজিব।"

নৰকৰ পিছলৈ মতিচ্ছন্ন হয়। আৰাধ্যা দেৱী কামাখ্যাকে পত্নীৰূপে পাবলৈ তেওঁ হাবিয়াস কৰে। এই কথাৰ গম পাই স্বয়ং শ্ৰীকৃষ্ণ কামৰূপলৈ আহি নৰকক হত্যা কৰে। শিবেও ওৰে গাত ছাই সানে, গলত ওলোমাই লয় এটি ফেটি সাপ। হাতত ত্ৰিশূল লৈ ডম্বৰু বজাই বজাই শিৱে শ্মশানত ঘূৰি ফুৰে। সাধুটো যিয়ে নহ'ক শিবেই বড়োসকলৰ 'শিব বৌৰায়' ,শিজো বৌৰায়' অথবা 'বাথৌ বৌৰায়'। এৱেঁই বড়োসকসকলৰ শ্ৰেষ্ঠ উপাস্য দেৱতা। কামাখ্যা দেৱীৰ সন্তুষ্টিৰ বাবে নৃত্য কৰা নটীবোৰেই খেৰাই নৃত্য কৰা নাচনী। পিচলৈ বড়ো 'দৌদিনী' নাচৰপৰা দেওধাই নৃত্য আৰু 'খেৰাই' নাচৰপৰা দেবদাসী নৃত্যৰ উদ্ভৱ হয়। অসমৰ ধৰ্ম্ম যে মূলত মঙ্গোলীয় এই কথা যোগিনীতন্ত্ৰয়ো স্বীকাৰ কৰে।

৪। ৰাজ পৰিয়ালৰ ঐতিহাসিক প্ৰামাণ্য

প্ৰাচীন অসমৰ মানুহ সম্পৰ্কে প্ৰচলিত কথাবোৰ সম্পূৰ্ণ সঁচা নহয়। যিবোৰ সমলৰ পৰা কথাবোৰ গোটোৱা হৈছে সেইবোৰ নিজেই বিভ্ৰান্তিকৰ। ৰামায়ণ, মহাভাৰত, পুৰাণ শাস্ত্ৰ আৰু যোগিনীতন্ত্ৰক লিখা হৈছিল বিশেষ একোটা উদ্দেশ্য লৈ। এই লেখাবোৰত এটা কথা স্পষ্টকৈ বুজা যায়। এটা সময়ত সমগ্ৰ ভাৰতবৰ্ষ ব্যাপি ব্ৰাহ্মণ্য ধৰ্ম্ম প্ৰচাৰৰ জোৱাৰ উঠিছিল। এইখিনিতে এটি কথা উনুকিয়াব পাৰি যে সকলোৱেই বেদৰ অধিকাৰী হোৱাটো কুলীন ব্ৰাহ্মণসকলে কামনা কৰা নাছিল। তেওঁলোকে বিচাৰিছিল সকলোৱে ব্ৰাহ্মণ্য ধৰ্ম্মত দীক্ষিত হ'ক আৰু তেওঁলোকক বেদৰ অনন্য অধিকাৰী বুলি স্বীকাৰ কৰক। এই উদ্দেশ্যকে সাৰোগত কৰি অতীতৰ ব্ৰাহ্মণ লিখকসকলে পৌৰাণিক আখ্যানবোৰ ঠাই আৰু সময় বিশেষে অদল-বদল কৰিছিল।

প্ৰথমে নৰকে বৈদিক ধৰ্ম্ম গ্ৰহণ কৰিছিল। সেয়ে তেওঁক ভাল বুলি প্ৰশংসা কৰা হৈছিল। কিন্তু পিছলৈ তেওঁ বৈদিক ধৰ্ম্মক ত্যাগ কৰি শক্তি পূজাৰ আশ্ৰয় লয়। ইয়াৰ বাবে তেওঁক অসুৰ আখ্যা দিয়া হয়। এইখিনিতে নৰকৰ কলঙ্কৰ অন্ত নহ'ল। কৃষ্ণৰ হতুৱাই তেওঁক বধ কৰোৱা হ'ল। কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰৰ মতে নৰক এজন অসুৰ। কৃষ্ণই তেওঁক হত্যা কৰি পুতেক ভগদত্তক কামৰূপৰ ৰজা পাতে। কালিকা পুৰাণত এনে ধৰণেও উল্লেখ আছে যে নৰক বিদেহৰাজ জনকৰ পোষ্য পুত্ৰ। ১৬ বছৰ বয়সতেই তেওঁ কিৰাতসকলৰ ৰাজ্য প্ৰাগজ্যোতিষ পুৰলৈ আহে আৰু কিৰাত ৰজা ঘটকাসুৰক হত্যা কৰি নিজে ৰাজপাটত উঠে। ইয়াৰ বিপৰীতে ব্ৰহ্মাণ্ড পুৰাণে উল্লেখ কৰিছে যে নৰক বিষ্ণুৰ অন্যতম অৱতাৰ পৰশুৰামৰ হাততহে নিহত হয়। এই কথাই প্ৰমাণ কৰে যে নৰকক কেন্দ্ৰ কৰি প্ৰচলিত থকা কাহিনী-বোৰত ঐতিহাসিক সত্যতা নাই। একেজন নৰকেই ৰামায়ণ যুগত পৰশুৰামৰ হাতত এবাৰ নিহত হৈ সুদীৰ্ঘ ৩০০০ বছৰ পিছত মহাভাৰতৰ যুগত শ্ৰীকৃষ্ণৰ হাতত দ্বিতীয়বাৰ নিহত হোৱা কাহিনীটো সম্পূৰ্ণ কাল্পনিক। পৰশুৰামে যদি

OKDISCD

নৰক নামৰ এজন লোকক হত্যা কৰিছিল, তেনেহলে কৃষ্ণই আন এজন নৰকক হত্যা কৰিছিল। ভগদত্ত যে নৰকৰ পুত্ৰ আছিল এই কথাও ঐতিহাসিক সত্য নহয়।

ভিন ভিন লেখকে পূৰ্বোক্ত দানব, অসুৰ, বৰ্মন, শালস্তম্ভ আৰু প্ৰাগ কৈফদবোৰক পৃথক পৃথক বংশ বুলি প্ৰমাণ কৰিব খোজে। কোনো কোনোৱে দানৱ বংশৰ বাহিৰে অইন বংশৰ ৰজাসকলক মূলাৰ্য্য বুলিও কৰ বিচাৰে। এই আটাইবোৰ ধাৰণা ভুল। আখ্যান-উপাখ্যানৰ জৰীয়তে বিষ্ণু আৰু বসুমতীৰ পুত্ৰ নৰকৰ লগত জড়িত সকলো বংশ আৰু বংশোদ্ভুত ৰাজ বা লোকপৰিয়ালেই মূলতঃ মঙ্গোলীয়। স্বনামধন্য ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে লিখি থৈ যোৱা তলৰ কথাবিনিৰপৰা এই সত্য সহজে স্বীকাৰ কৰিব পাৰি।

"The Great Bodo people of Assam are the off-spring of Naraka.......,  These Bodos were in all likelihood the dominant people of the Assam valley and the adjacent hills, and had spread also all over North Bengal and East Bengal, and possibly also North Bihar. Hiuen Ts'ang by mistake described Bhaskara-varman as a Brahman, but he was just a neo-Kshatriya, a member of a Hinduised Mleccha of non-Hindu-Indo-Mongoloid family. (The place of Assam in the History and Civilisation of India)

ৰজাসকলৰ নামবোৰ আৰ্য্যকৃত। সেয়ে অনেকে তেওঁলোকক আৰ্য্য বুলি ঠাৱৰ কৰে। কিন্তু সিহঁতৰ প্ৰথম নামবোৰ অনাৰ্য্য। প্ৰালম্ভৰ আন দুটা নাম সালস্ত আৰু আৰথ। জয়মালৰ আন এটা নাম বীৰবাহু। বিশ্বসুন্দৰদেৱৰ আন নামবোৰ হ'ল 'বীৰথু' আৰু 'ফীৰথু'। যোগিনী তন্ত্ৰত উল্লেখ আছে জলপেশ্বৰ নামৰ এজন ৰজাই জলপাইগুৰীত শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। এই জলপেশ্বৰেই 'বীৰথু', ফীৰথু অথবা বিশ্বসুন্দৰদেৱ। এইবোৰ তথ্যৰপৰা ইয়াকে সহজে প্ৰমাণ কৰিব পাৰি যে আৰ্য্য-হিন্দু নামেৰে পৰিচিত প্ৰাচীন অসমৰ ৰজাসকল মূলতঃ মঙ্গোলীয় বড়ো।

Epigraphs, pillar inscription আৰু নিদানসমূহৰ পাঠোদ্ধাৰ নিভুৰ্ল নহয়। ইয়াৰ মূল কাৰণ হ'ল সেইবোৰত ৰজাসকলৰ প্ৰথম (প্ৰকৃত) নামবোৰৰ উল্লেখ নাই। যি আৰ্য্য-হিন্দু নামেৰে ৰাজ অভিষেক অনুষ্ঠিত হৈছিল সেই নামেৰেহে কথাবোৰ লিপিবদ্ধ হৈছিল। তদুপৰি অনেক পাঠকে ৰজাবোৰক আদিম গোষ্ঠীৰপৰা আতৰাই আনি আৰ্য্য-হিন্দু গোষ্ঠীৰ অন্তৰ্ভুক্ত কৰিবলৈ যথাসাধ্যে চেষ্টা কৰে। বনমালৰ তেজপুৰ নিদানত থকা "আৰথোতিন্-নৃপঃ" কথাষাৰ পাঠোদ্ধাৰ এনে ধৰণে কৰা হৈছে— অৰথি (অৰ্থি, অৰ্খি) নামৰ ৰজাৰ দুজন পুত্ৰ আছিল। তেওঁলোক প্ৰালম্ভ আৰু অৰথি। অৰথি অথবা অৰ্থি বড়ো শব্দ। ইয়াৰ অৰ্থ জ্বলি থকা জুই। কোনো কোনো ঐতিহাসিকে অৰ্থিক ৰজা বুলি স্বীকাৰ কৰা নাই। তেওঁলোকৰ মতে প্ৰালম্ভহে ৰজা হৈছিল। প্ৰালম্ভ আৰু

OKDISCD

অৰ্থিৰ সম্বন্ধও বিবাদমান । কোনোৰ মতে প্ৰালম্ভ অৰ্থিৰ পুত্ৰ আৰু কোনোৰ মতে ভায়েক । যি নহ'ক অৰ্থি প্ৰালম্ভৰ ৰাজবংশ যে মঙ্গোলীয় তাক ড. পি, টি চৌধুৰীদেৱেও স্বীকাৰ কৰিছে । 'The theory that Pralambha established a new line of Mleccha origin is unwarranted." ( History of Civilisation of the people of Assam) বনমালৰ পৰ্বতীয়া প্লেট আৰু হায়ুথাল নিদানতো অৰ্থি নামৰ উল্লেখ আছে । এইবোৰ তথ্যৰ সহায়ত এই কথা প্ৰমাণ কৰিব পাৰি যে অৰ্থি এজন বড়ো ৰজা আৰু তেওঁ শালস্তম্ভৰ পিছত ৰাজত্ব কৰিছিল ।

কামৰূপ, প্ৰাগজ্যোতিষপুৰ, দিক্কৰবাসিনী আৰু হৰ্জৰবৰ্মনৰ ৰাজধানী হাৰূপেশ্বৰ (হটপেশ্বৰ হৰপেশ্বৰ) আটাইবোৰ আৰ্য্য নাম । প্ৰাচীন কামৰূপৰ লোকে এইবোৰ নাম শুনা নাছিল । এইবোৰ মাথো পুথিৰ মাজতহে লিপিবদ্ধ হৈ ৰৈছিল । হিউয়েনচাঙে ভাস্কৰবৰ্মনৰ ৰাজ্যক কামোলোপো ( খামলাব, খামলাব) নামেৰেহে জানিছিল, কামৰূপ অথবা প্ৰাগজ্যোতিষপুৰ নামেৰে নহয় । মুছলমান সেনাপতি বখতিয়াৰে এই দেশত সোমাই ইয়াৰ নাম খামৰুদ (খামৰূব) বুলিহে জানিছিল । 'খাবলাব', খামলাব', 'খামৰুদ', 'খামৰূব, আটায়ে বড়ো শব্দ । সকলোৰে অৰ্থ একেটা—আধাপোৰা হৈ ৰোৱা । বড়ো ৰজা হিডম্ব আৰু ঘটোৎকচৰ ৰাজধানী হিড়ম্বপুৰৰূপৰা, ডিম্বপুৰ ডিম্বাপুৰ ডিমাপুৰ হৈছেগৈ । অইন, এজন বড়ো ৰজা বানাসুৰৰ ৰাজধানী শোণিতপুৰৰপৰা তেজপুৰ হৈছে । অসমত বিয়পি থকা বড়োসকলক দেখি ড. সুনীতি কুমাৰ চেটাৰ্জীয়ে সচাঁ কথাই কৈ গৈছে : "If we were to mention in specific terms the place of Assam in the history and civilisation of India during this ancient and early medieval periods, we could say that during the ancient period, coming down to a few centuries after christ, Assam formed the reservoir or nidus for the fourth great elem nt in the formation of the Hindu people, viz, the Kirata of the Mongoloid element, and it was the high way for material trade and sometimes arts and crfats and even ideas to pass between China and India."

৫ । উপসংহাৰ

বুৰঞ্জী অধ্যয়ন এটি গুৰুত্বপূৰ্ণ বিষয় । মহান জাতি গঠনত ইয়াৰ ভূমিকা অনস্বীকাৰ্য্য । এটি ভাষা-গোষ্ঠীৰ মাজতে জাতীয় চেতনা জগাই তোলাৰ ক্ষেত্ৰতো ইয়াৰ দান অপৰিসীম । অসম তথা ভাৰতৰ দৰে এখন বিশাল দেশৰ বাবে বুৰঞ্জী অধ্যয়ন অতীব তাৎপৰ্য্যপূৰ্ণ । অসংখ্য ভাষা, অসংখ্য জাতি-উপজাতি আৰু ভিন ভিন ধৰ্ম্মৰ লোকেৰে ভৰা এই এখন উপমহাদেশ । ইয়াৰ ইতিহাস যথাসম্ভৱ নিৰ্ভুল হোৱাটো বাঞ্ছনীয় । ইতিহাসৰ লগতে ৰামায়ণ, মহাভাৰত প্ৰভৃতি প্ৰাচীন লেখাসমূহকো নতুন দৃষ্টি-ভঙ্গীৰে পুনৰ চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে ।

OKDISCD

অতীজৰেপৰা জনপ্ৰিয় হৈ অহা কোনো কোনো কথা আজি আওপুৰণি হৈছে। জ্ঞান, বিদ্যা আৰু ধ্যান-ধাৰণাত বিশ্বামিত্ৰ বশিষ্ঠতকৈ শ্ৰেষ্ঠ। নিজৰ শক্তি-সাধনাৰে তেওঁ অইন এখন ব্ৰহ্মাণ্ড স্ৰজিছিল। তথাপি অতীতৰ লেখাই তেওঁক ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ কৰা নাছিল। হিড়িম্বাতনয় ঘটোৎকচৰ বীৰত্ব বিস্ময়কৰ। মৃত্যুৰ সময়তো মাটিত বাগৰি ধৰফৰ চট্‌ফট্‌ কৰোতে তেওঁ নিজৰ দেহৰ ভিৰেৰে অসংখ্য কৌৰৱ সেনাক নিধন কৰিছিল। কিন্তু তেওঁৰ এই বীৰত্বৰ বাবে মহাভাৰতে তেওঁক ৰাক্ষস আখ্যা দিলে। একলব্যক ব্যাধ বুলি ঘিণ কৰি দ্ৰোণাচাৰ্য্যই ধেনু-কাড় মাৰিবলৈ শিকোৱা নাছিল। ইয়াতো ক্ষান্ত নাথাকি দ্ৰোণাচাৰ্য্যই একলব্যৰ সোঁহাতৰ বুঢ়া আঙুলিটোকো ছলেৰে নিজৰ হতুৱাই কটাই ধনু-কাড় মাৰিব নোৱাৰা কৰে।

অতীতত আজিৰ দৰে জাতিভেদ প্ৰথা নাছিল। ধৰ্ম্ম চৰ্চ্চা আৰু জ্ঞান লাভৰ অধিকাৰ জাতকৰ ধৰ্ম্মৰ ওপৰত নিৰ্ভৰ নকৰিছিল। ইয়াৰ দৃষ্টান্ত অনেক আছে। ব্ৰাহ্মণ হৈও পৰশুৰামে ক্ষত্ৰিয় ধৰ্ম্ম পালন কৰিছিল। বিশ্বামিত্ৰ আদিতে ক্ষত্ৰিয় আছিল। পিছলৈ নিজ সাধনাৰ বলেৰে তেওঁ ব্ৰহ্মৰ্ষি হব পাৰিছিল। ব্ৰহ্মৰ্ষি বশিষ্ঠৰ মাক এগৰাকী বেশ্যা আছিল। মহাকবি ব্যাসদেৱ এজনী মাছমৰীয়াৰ সন্তান। এইবোৰ কাহিনী নতুন দৃষ্টি ভঙ্গীৰে বিচাৰ কৰি মানুহৰ মাজত প্ৰচাৰ কৰিলে বিভিন্ন জাতি উপজাতিৰ মাজত থকা হীন-দেৰি ভাবৰোৰ সমূলি আঁতৰিব বুলি আমাৰ বিশ্বাস। দৈত্য, দানৱ, অসুৰ প্ৰভৃতি ঘৃণাসূচক শব্দবোৰ বাদ দি অথবা নতুন অৰ্থত প্ৰকাশ কৰি কাহিনীবোৰ পুনৰ সংস্কাৰ কৰাটো আজিৰ এটা নতুন কাম।

---

# বজ্জানৰ বিলুপ্তি কাহিনী

প্ৰনেতা ৺বিষ্ণুপ্ৰসাদ ৰাভা।

জনজাতীয় ঐক্য মহাশক্তিৰ অজেয় স্বৰূপটো বুৰঞ্জীৰ বহুতো উদাহৰণেৰে প্ৰমাণ কৰিব পাৰি। এইখিনিতে কৌটিল্যৰ বহুপূৰ্ব্বৰ বুৰঞ্জী প্ৰখ্যাত এটা কাহিনীৰ উল্লেখ কৰা বাহুল্য। জৈন সাহিত্যত এই কাহিনীটো "The last battle with large stone' আখ্যা দিয়া হৈছে। বৌদ্ধ বিশ্বাস মতে এই কাহিনী বুদ্ধদেৱৰ জীৱন কালৰ।

সেই সময়ত জাতিসমূহ লগলাগি এটা জাতিসংঘ গঠন কৰিছিল। এই জাতিসংঘ বজ্জান নামেৰে জনাজাত। পালিসাহিত্যত উল্লেখ আছে বজ্জান জাতি সংঘৰ গুৰি আছিল লিচ্ছভি বংশ। মগধৰ ৰজা অজাত শত্রুৱে এই বজ্জান সংঘ আক্রমণ কৰিবলৈ সংকল্প কৰিলে। মহা-পৰিনিৰ্ব্বাণ সূত্ৰত এই আক্রমণৰ বৰ্ণনা এনেদৰে আছে—

সেই সময়ত শ্ৰেষ্ঠ আসনাধিষ্ঠ জন (বুদ্ধ) 'Vulture peak' নামৰ পাহাৰৰ ওপৰত ৰাজগৃহত বাস কৰিছিল। মগধৰ বিদেশ বংশী ৰজা অজাত শত্রুৱে বজ্জানসকলক আক্রমণ কৰিবলৈ স্থিৰ কৰি ভাবিলে—"যদিও বজ্জানসকল মহাপৰাক্রমী মই সিইতক আক্রমণ কৰিমেই, পুলি-পোখাৰে সৈতে এই বজ্জানসকলক মই ধ্বংসৰ গহ্বৰত কবৰ দিমেই" দৃঢ় সংকল্প মনত লৈ তেওঁ মগধৰ প্ৰধানমন্ত্ৰীব্ৰাহ্মণ বৰ্ষাকৰৰ লগত পৰামৰ্শ কৰিলে। বৰ্ষাকৰক ৰজাই বুদ্ধদেৱৰ ওচৰলৈ গৈ বজ্জান ধ্বংসৰ উপায় সুধিবলৈ অনুৰোধ কৰিলে, তেওঁ কলে—হে মহান ব্ৰাহ্মণ, আপুনি সেই শ্ৰেষ্ঠ আসনাধিষ্ঠ বুদ্ধৰ ওচৰলৈ গৈ তেওঁক মোৰ অভিযান জনাই কব, মগধৰ মহামান্য ৰজা অজাতশত্রুৱে বজ্জান জাতিসমূহ নিৰ্মূল কৰিবলৈ সংকল্প কৰিছে। সিইঁত যিমানেই শক্তিশালী নহওঁক, যি কোনো উপায়ে সিইঁতক ধ্বংস কৰিবই লাগিব। এই বিষয়ে শ্ৰেষ্ঠ আসনাধিষ্ঠ বুদ্ধই যি যি ভৱিষ্যত বাণী কৰে সেই সকলোবোৰ ভালদৰে মনত ৰাখি আখৰে আখৰে মোৰ আগত পুনৰোচ্চাৰণ কৰিব লাগিব। কাৰণ বুদ্ধই কোনো অন্যায় বা অসৎ পৰামৰ্শ নিদিয়ে।"

বৰ্ষাকৰে ৰজাৰ আদেশ মানি বুদ্ধৰ ওচৰলৈ যাবৰ কাৰণে ৰথসজ্জা কৰিবলৈ আদেশ দিলে। তেওঁ এখন ৰথত উঠি সদলবলে ৰাজগৃহ অভিমুখে যাত্রা কৰিলে। যিমানদূৰ পাৰি ৰথেৰে, তাৰ পাছত ঘোঁৰাৰ পিঠিত আৰু বাকী ডোখৰ বাট খোজকাঢ়ি তেওঁ বুদ্ধৰ উদ্দেশ্যে শৃঙ্গ বগাই যাব ধৰিলে।

অৱশেষত বহুতো কষ্টেৰে ৰাজগ্ৰহ পায় পাৰস্পৰিক স্বাগতম্ বিনিময় কৰিলে। বুদ্ধক সসম্মানে প্ৰণাম জনাই ৰাজপ্ৰদত্ত উপহাৰ নিবেদন কৰিলে আৰু বুদ্ধৰ সাম্যমূৰ্ত্তিৰ সামনিত ৰহি পৰিল। তেতিয়া লাহেকৈ তেওঁ ৰজা অজাতশত্রুৰ অভিলাষৰ কথা বুদ্ধদেৱৰ ওচৰত নিবেদন কৰিলে।

আনন্দই মানৱ শ্ৰেষ্ঠ বুদ্ধদেৱৰ পিছফালে থিয়হৈ বিচি আছিল। আনন্দক উদ্দেশ্য কৰি বুদ্ধই মাত লগালে—"আনন্দ তুমি জানানে যে সেই বজ্জান জাতি সমূহ প্ৰায়ে আৰু সঘনে তেওঁলোকৰ গোষ্ঠীৰ ৰাজহুৱা সভা পাতে?" উত্তৰত আনন্দই কলে - "হয় প্ৰভু, মই তেনেই শুনিছো।"

"জানা আনন্দ" সৌভাগ্যশীল বুদ্ধই কৈ গ'ল—"যেতিয়ালৈকে বজ্জানসকল তেওঁলোকৰ মাজত পাৰস্পৰিক বুজাপৰাৰ মাজেদি ৰাজহুৱা সভা পাত এক হৈ থাকে, তেতিয়ালৈকে তেওঁলোকে উন্নতিৰ জখলাত আগবাঢ়ি গৈ থাকিব; কোনো শক্তিয়ে তেওঁলোকক ধ্বংস কৰিব নোৱাৰে।"

বজ্জানসকলৰ উন্নতিৰ কাৰণেহে যেন চিন্তা

কৰিছে, এনেদৰে তেওঁ কৈয়ে গ'ল—"আৰু আনন্দ যেতিয়ালৈকে বজ্জানসকলে ঐক্যভাৱে সংঘবদ্ধ হৈ থাকে আৰু সংঘবদ্ধ ভাবেই হাতত লোৱা কাম কৰি যায়,—যেতিয়ালৈকে তেওঁলোকে নতুন একো অসৎ কাম নকৰে,—যেতিয়ালৈকে তেওঁলোকৰ অৱস্থিত কোনো জাতীয় অনুষ্ঠান বিলোপ নহয়, তেওঁলোকে তেওঁলোকৰ বয়োজ্যেষ্ঠসকলৰ বহুমূলীয়া উপদেশ আৰু নীতি-নিয়মবোৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰে, তেওঁলোকৰ কুলবধু আৰু দুহিতাসকলক যথাবিধি সন্মান দেখুৱায় তেতিয়ালৈকে বজ্জানসকলৰ অৱনতি অসম্ভৱ। যেতিয়ালৈকে বজ্জানসকলৰ পুৰুষানুক্ৰমে চলি অহা গ্ৰাম্য আৰু নাগৰিক জীৱনৰ সামাজিক আৰু ধৰ্ম্ম সম্বন্ধীয় আনুষ্ঠানিক পূজা-পাতলবোৰ সন্মানপূৰ্ব্বক মূল্যাঙ্কন কৰে আৰু এই ঐতিহ্যপূৰ্ণ মঙ্গলাচৰণবোৰৰ কোনো অপব্যৱহাৰ যেতিয়ালৈকে নকৰে, আৰু "আৰাহাণ্টাচ" সকলৰ দূৰ দেশৰপৰা তেওঁলোকৰ মাজলৈ সহজ আৰু অবাধ আগমন আৰু তাত তেওঁলোকৰ কাৰণে যথোচিত সা-সুবিধা আৰু ৰক্ষণা-বেক্ষণ দি সুখেৰে বাস কৰিবলৈ দিব পাৰে তেতিয়ালৈকে বজ্জানসকলে কোনো বাধা বা অমঙ্গল নেহোৱাকৈ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব ই ধ্ৰুব সত্যই।"

কথাটো যথেষ্ট মন কৰিব লগিয়া। ইয়াৰ পৰা বুজা গ'ল যে কৌটিল্যই জাতিসংঘৰ আৱশ্যকতা আৰু উপকাৰিতাৰ বিষয়ে নতুন একো কোৱা নাই; বুদ্ধদেৱে কৌটিল্যৰ বহু পূৰ্ব্বেই কৈ গৈছে যে জাতি সংঘবোৰ প্ৰত্যক্ষ সামৰিক শক্তিৰ দ্বাৰা জয় কৰিব নোৱাৰি। তেওঁলোকৰ এই অজেয় শক্তি লুকাই আছিল ঐক্য আৰু পাৰস্পৰিক সদভাৱৰ ওপৰত। সেয়ে কৌটিল্যই কোনো জাতি সংঘৰ বিৰুদ্ধে সামৰিক আক্ৰমণ অনুমোদন নকৰিছিল।

বৌদ্ধ সাহিত্যত আছে—বুদ্ধদেৱৰ মুখত বজ্জান সকলৰ ঐক্যৰ অপৰাজেয় শক্তিৰ কথা জানি বৰ্ষাকৰে আচৰিত হৈ ভাবিছিল "তেতিয়া হলে, বজ্জান সকলৰ মাজত কল্যাণৰ অমোঘ অস্ত্ৰ ঐক্য থকালৈকে তেওঁলোকৰ ধ্বংসৰ কথা ভাৱিব নোৱাৰি।" তেওঁ গৌতমক কৈছিল "তেন্তে গৌতম, বজ্জানসকল যেতিয়া ঐক্যৰ বলেৰে অজেয় গতিকে তেওঁলোকক কুটনীতিৰ সহায়েৰে বেলেগ নকৰালৈকে মগধৰ ৰজাই যুদ্ধ ক্ষেত্ৰত পৰাজয় কৰিব নোৱাৰে।" গৌতমৰ পৰা বিদায় লৈ ব্ৰাহ্মণ মন্ত্ৰী প্ৰত্যাগমন কৰিলে।

কাহিনীটো ইমানতে শেষ হোৱা নাই। বুদ্ধঘোষে তেওঁৰ "সুমঙ্গল বিলাসিনী" নামৰ গ্ৰন্থত কৈছে—অজাত শত্ৰুৱে বুদ্ধৰ পৰামৰ্শমতে বজ্জান জাতিসংঘক সোনকালে আক্ৰমণ নকৰাকে স্থিৰ কৰিলে। তেওঁ নিজৰ শক্তিৰ ওপৰত দৃঢ়-বিশ্বাস কৰিব নোৱাৰি যুদ্ধৰ পৰিবৰ্ত্তে ছলেৰে পৰাজয় কৰিবলৈ মনস্থ কৰি কূটনীতি বিশাৰদ ব্ৰাহ্মণ বৰ্ষাকৰক আশ্ৰয় প্ৰাৰ্থীৰ বেশেৰে বজ্জান সকলৰ ৰাজ্যলৈ পঠাই দিলে যাতে তেওঁ লিচ্ছবি সকলৰ মাজত মতানৈক্যৰ সৃষ্টি কৰি তেওঁলোকৰ ঐক্য দুৰ্ব্বল কৰি দিব পাৰে। সুদীৰ্ঘ তিনি-বছৰৰ চেষ্টাৰ পাছত বৰ্ষাকৰে বজ্জান সকলৰ মাজৰ পৰা ঐক্যভঙ্গ কৰিবলৈ সমৰ্থ হ'ল আৰু অজাতশত্ৰুৱে সহজতে গঙ্গা পাৰ হৈ বজ্জান ৰাজধানী বৈশালী অধিকাৰ কৰিলে।

অৱশ্যে বুদ্ধঘোষৰ এই বৰ্ষাকৰৰ বজ্জান

ৰাজ্যলৈ যাত্ৰাৰ কাহিনীটো কিমানদূৰ সত্য ই প্ৰশ্নৰ বিষয়। তেওঁ বহু পাছৰ লিখক। হলেও বাশমে কোৱা কথাবাৰ মানি লৈয়েই ইয়াৰ সত্যতাত বিশ্বাস কৰিবলৈ মন যায়। বাশমে কৈছে যে বুদ্ধঘোষ বহুপৰবৰ্ত্তী লিখক হলেও তেওঁ মগধৰ বাসিন্দা। গতিকে তেওঁ মগধৰ প্ৰাচীন বুৰঞ্জীৰ বিষয়ে বিশ্বাস যোগ্য নথীপত্ৰ নাইবা পৰম্পৰা সংক্ৰান্তৰ কাহিনী জনাটো বিশ্বাসযোগ্য।

কথাটো সঁচা। সেয়ে মহা পৰিনিৰ্ব্বাণত দিয়া বৰ্ণনাত সত্যতা পকা যেন লাগে। আৰু সেই কাৰণেই সেই সময়ত প্ৰত্যক্ষ যুদ্ধ এৰি কৌটিল্যৰ কুটনীতি অৱলম্বন কথা ভবিবলৈ যুক্তি আছে। আনহাতে বুদ্ধঘোষৰ বৰ্ণনাত কল্পনাৰ ৰং আছে। কাৰণ বুদ্ধদেৱে ৰজা অজাত শত্ৰুক কূটনীতিৰ আশ্ৰয় লবলৈ পৰামৰ্শ দিয়াটো সঁচা নহয়। বজ্জান সকলৰ প্ৰতি থকা তেওঁৰ সহানুভূতিয়ে তেওঁ অজাত শত্ৰুক বজ্জান সকলৰ বিৰুদ্ধে পৰামৰ্শ দিয়া কথা অসূচায়। দ্বিতীয়তে অন্য গ্ৰন্থত পোৱা প্ৰমাণবোৰে ইয়াকে ইঙ্গিত কৰে যে লিচ্ছৱি সকলৰ পৰাজয় পৰ্য্যবেক্ষক লকলে বৰ্ণনা কৰাৰ দৰে সহজ নাছিল।

"নীৰায়বলিকা" নামৰ জৈন গ্ৰন্থখনত অজাতশত্ৰুৰ লিচ্ছৱি সকলৰ বিৰুদ্ধে যুদ্ধৰ কথা বৰ্ণনা কৰা আছে। তাত আছে লিচ্ছৱি প্ৰধান চেদেঙ্গাই অজাতশত্ৰুৰ দ'লৰ 'কাল' নামৰ ৰাজকুমাৰক বধ কৰি তেওঁৰ সেনাপতিত্বত যুদ্ধকৰা এটা দ'ল নাশ কৰে। যুদ্ধখনৰ পৰিণতিৰ বিষয়ে "নীৰায়বালিকা"ৰ গ্ৰন্থকাৰ নিমাত। কিন্তু অন্যখন জৈনপুথি "ভগৱতী সূত্ৰ"ত এই যুদ্ধৰ বৰ্ণনা আছে। ভগৱতী সূত্ৰৰ মতে অজাত শত্ৰুৱে লিচ্ছৱি সকলৰ বিৰুদ্ধে দুখন যুদ্ধ কৰিব লগা হৈছিল—প্ৰথম খন "মহাশিলিকাণ্টি" আৰু দ্বিতীয়খন "ৰহমুষলী"। প্ৰথম খনত ৰজাই তেওঁৰ সৈন্যদলৰ শোচনীয় অৱস্থাৰ খবৰ পাই যুদ্ধক্ষেত্ৰলৈ যায়। তেওঁৰ দহজন ভায়েক ইতিমধ্যে চেদেঙাৰ বানত ইহলীলা সামৰিছে। চেদেঙাৰ জয় অনিবাৰ্য্য; এনেতে এটা ঘটনা ঘটিল। যুদ্ধৰ একাদশ দিনা দেৱৰাজ ইন্দ্ৰই অজাতশত্ৰুক এটা প্ৰকাণ্ড যুদ্ধ অস্ত্ৰ দিলে আৰু এই যন্ত্ৰৰ সহায়েৰে প্ৰকাণ্ড শিল বৰ্ষণ কৰি অজাত শত্ৰুৱে লিচ্ছৱি সকলক বধ কৰিব ধৰিলে। এনেদৰে 'মহাশিলাকাণ্টি' যুদ্ধৰ অন্ত পৰিল। জৈন সাহিত্যত বৰ্ণনা কৰা অন্যখন যুদ্ধ "ৰহমূষলী"ৰ শেষ পৰিণতিও কোনো দৈৱশক্তি হস্তক্ষেপৰ দ্বাৰা নিৰ্দ্ধাৰিত হোৱা বুলি কোৱা যায়। অজাত শত্ৰুৱে ইন্দ্ৰৰ পৰা 'কেমেৰা' নামৰ এক বিশেষ ধৰণৰ যুদ্ধৰ ৰথ লাভ কৰিছিল। ৰথখন প্ৰকাণ্ড ত্ৰিশূলেৰে সজ্জিত আছিল। এই ৰথৰ সহায়ত তেওঁ লিচ্ছৱি সকলক নিপাত কৰিছিল।

জীনদাসৰ 'আৱশ্যক কাৰ্ণি' নামৰ পুথিখনত কোৱা আছে যে লিচ্ছৱি সকলৰ পৰাজয়ৰ আচল কাৰণ কেৱল দৈৱশক্তি নাছিল। ইয়াৰ আচল কাৰণ হ'ল কূলবলয় নামৰ যোগী এজনৰ বিশ্বাসঘাটকতা। বাস্তববাদী চকুৰে ইয়ে সঁচা যেন অনুমান হয়। কুনিয়াৰ (অজাত শত্ৰু) দ্বাৰা নিয়োজিতা এজনী বেশ্যাৰ দ্বাৰা যোগীক ধৰ্ষিত কৰাই তেওঁৰ প্ৰতিজ্ঞা ভঙ্গ কৰাই মগধখনক বিশ্বাসঘাটকতা কৰিবলৈ উচটাই দিছিল। এই কাৰ্য্যত আঘাত পাই চেদেঙাই পানীত পৰি আত্মহত্যা কৰে আৰু লিচ্ছৱি

OKDISCD

সকলে নেপাললৈ পলাই যায়।

এইখিনিতে বাশমে কোৱা কথা এটা উল্লেখযোগ্য। বজ্জান সকলক (বজ্জান জাতি-সংঘক) নিৰ্ম্মূল কৰিবৰ কাৰণে অজাতশত্ৰুৱে কৰা সংকল্প আৰু চেষ্টা স্বত্বেও বজ্জান সকলৰ পৰাজয় চূড়ান্ত নাছিল। নেপালত লিচ্ছভি সকলৰ বাস আৰু প্ৰথম চন্দ্ৰগুপ্তৰ লিচ্ছভি কন্যা কুমাৰ দেৱীৰ লগত বিবাহে প্ৰমাণ কৰে যে—অজাতশত্ৰুৰ লগত হোৱা যুদ্ধৰ ৮০০ (আঠশ) বছৰ পিছলৈকে লিচ্ছভি বংশৰ ৰাজত্ব চলি আছে। এয়ে আছিল জনজাতি সকলৰ শক্তি শৌৰ্য্যৰ প্ৰমাণ।

বুদ্ধদেৱৰ দিনতে এনে চক্ৰান্ত আৰু ষড়-যন্ত্ৰেৰে বজ্জীয়ানৰ শক্তি ভাঙি পেলোৱা হৈছিল আৰু এই বজ্জীয়ান সকলেই আছিল কিৰাট বংশৰ—উত্তৰ বিহাৰ, পূব নেপাল, উত্তৰ বঙ্গৰ বড়ো সকল—বড্ডীয়ান, বড্ডন্ সকল।

চাণক্যৰ কৌটিল্য শাস্ত্ৰ জন্ম হোৱাৰ লগে লগে জনজাতীয় মহাশক্তি কূটিল চক্ৰান্তৰে চুৰমাৰ কৰিবলৈ নানা ষড়যন্ত্ৰ আৰ্য্য সকলৰ দ্বাৰা চলোৱা হৈছিল। কিৰাট বংশৰ যিয়ে ৰজা হয়—অভিষেকৰ পাছত আৰ্য্য ব্ৰাহ্মণ সকলে তেওঁক ব্ৰাত্য ক্ষেত্ৰীয়ত দীক্ষিত কৰি বড়ো জনসাধাৰণৰ পৰা পৃথক কৰা হৈছিল।" (ৰাও আৰো ৰাদাৰ—Views and news)

[—এনেদৰেই তেওঁলোকৰ জাতীয় সংহতিক খৰ্ব্ব কৰা হৈছিল। এতিয়াও ধৰ্ম্ম আৰু আন কিছুমান অযুক্তিকৰ কথাৰ দোহাই দি তেওঁ-লোকৰ আত্মবিস্মৃতি ঘটাই পঙ্গু কৰি পেলোৱাৰ ষড়যন্ত্ৰ চলিছে। জনজাতিৰ ধীমান লোক-সকলে এই বিষয়ে চিন্তা কৰক। ]—"শৰনীয়াসকল কোন জাতিৰ মানুহ" পুথিৰ পৰা পুনৰ মুদ্ৰিত কৰা হ'ল—সম্পাদক।

---

# জনজাতি উন্নয়ন ঋণ আৰু অনুদানৰ পটভূমিত

শ্ৰীথানেশ্বৰ বড়ো, বি-এ
ৰতনপুৰ

সুদীৰ্ঘ বছৰে জনজাতীয়সকল পিচপৰা আৰু অনুন্নত হৈ আহিছে। এই অনুন্নত শ্ৰেণীৰ লোকক উন্নত জাতিৰ সমপৰ্য্যায়লৈ নিবলৈ এই জাতিৰ নেতাসকল তথা চৰকাৰ বদ্ধ-পৰিকৰ। নেতাসকলৰ নয়নাশ্ৰুবয় এই জাতিৰ দুখ দুৰ্দ্দশাত অৱশ্যে সি ঘঁৰিয়াল'ৰ চকু পানীও হব পাৰে। ৰাজনৈতিক বাক-বিতণ্ডাৰ মৌলিক সূত্ৰ হয়। দেশত আৰাও উঠে। নেতাসকলৰ

OKDISCD

আখৈ ফুটা কথাৰ সামগ্ৰী হয়। দেশত পিচপৰা জাতিৰ উন্নতি লাগে, জনজাতিৰ উন্নয়ন, নিষ্পেষিত আৰু নিপীড়িত হৰিজনৰ উন্নয়ন লাগে ইত্যাদি কথাই সদন তথা সংসদীয় ৰাজনীতিৰ খেলাৰ সামগ্ৰী হিচাপে ব্যৱহৃত হৈ আছে আৰু থাকিব।

এইখন অসমৰ কথা। অসমৰ জনজাতীয় উন্নয়নৰ কথা। কিমাশ্চৰ্য্যম। যোৱা ৩৪ বছৰে কংগ্ৰেছ চৰকাৰৰ শাসনৰ কৱলত থাকি জনজাতি সকলৰ অৰ্থনৈতিক স্থাৰৰ কেনে পৰ্য্যায় পাইছে, সেয়া সকলোৰে বিদিত। জনজাতিসকলৰ উন্নয়নৰ কাৰণে আঁচনি-যেনে জনজাতি উন্নয়ন গৱেষণা, জনজাতি উন্নয়ন নিগম, জনজাতি উন্নয়ন বোৰ্ড আৰু জনজাতি উন্নয়ন চেল ইত্যাদিয়েই প্ৰধান। এই আঁচনিবোৰৰ যোগেদি কংগ্ৰেছ চৰকাৰে জনজাতিৰ দ্ৰুত উন্নয়নৰ বাবে কৌটি কৌটি অৰ্থ ব্যয় কৰিছিল। গাৱে-ভূঞে থকা জনজাতি সকলক আৰ্থিক ঋণ আৰু অনুদান দিছিল। অৱশ্যে ব্যক্তি বিশেষৰ মাজতেই সৰহভাগ অনুদান সীমাবদ্ধ আছিল। সমাজত দলৰ অভিমত সংগ্ৰহৰ বাবেও অনুদান ব্যৱহৃত হোৱাটো অস্বীকাৰ কৰিব নোৱাৰিছিল।

ব্যক্তি বিশেষ অৰ্থাৎ কথা যাৰ মূল তাৰ ঋণ আৰু অনুদান তাৰ। ফলত চৰকাৰী আঁচনিবোৰৰ পৰা নিষ্পেষিত নিপীড়িত (?) জনজাতীয়সকল কৌশলগতভাৱে বঞ্চিত হোৱাৰ বাহিৰে অন্য উপায় নাছিল। অনুদান পাইছিল সেইসকল ব্যক্তিয়ে যিসকল ব্যক্তিয়ে অনুন্নত জনজাতিসকলৰ পৰা আত্মপ্ৰতিষ্ঠা আৰু প্ৰতিপত্তি কৰি তোলাৰ সুপ্ত অভিপ্ৰায় হৈছিল। শিক্ষাগত অহ'তা তেওঁলোকৰ বিচাৰ্য্যত গৌণ আছিল। অশিক্ষিত অৰ্থাৎ নিৰক্ষৰ ব্যক্তিয়েও দলগত স্বাৰ্থৰ খাতিৰত বোৰ্ডৰ সদস্য হ'ব পাৰিছিল আৰু উপদেশ দিব পাৰিছিল অথচ উচ্চশিক্ষিত ব্যক্তিয়েও দলগত নীতিৰ পৰি প্ৰেক্ষিতত বঞ্চিত হ'ব লগা হৈছিল। ফলত মঞ্জুৰীৰ অৰ্দ্ধেক ঋণ ব্যক্তি বিশেষৰ পকেটত হেৰাই গৈছিল। চৰকাৰী জনজাতি উন্নয়ন ঋণ আৰু অনুদানৰ খতিয়ানত "কাৰ্য্যকৰীকৰণ" দেখুৱা হৈছিল। বাস্তৱ ৰূপায়ন কিন্তু কোনোপধ্যেই নহৈছিল আৰু হোৱাৰ আশাত কৰিব পৰা নাছিল। আঁচনিৰ নামত মাথোন ব্যয় হৈছিল কৌটি কৌটি টকা।

জনজাতি উন্নয়ন ঋণৰ আপদাল আমি বিচাৰো। ব্যক্তি বিশেষে কৰা ঋণৰ অসৎ টোপোলাটোৰ তদন্ত আমাক লাগে। দুৰ্নীতিৰ তদন্ত লাগে। অন্যথায় জনজাতি উন্নয়নৰ নামত চৰকাৰী আঁচনিৰ পৰা কৌটি কৌটি অনুদান ব্যয় কৰাৰ কোনো বাস্তৱ নিদৰ্শন নাথাকিব।

জনতা চৰকাৰেও জনজাতিৰ দ্ৰুত উন্নয়নৰ বাবে আঁচনি লৈছিল। অৱশ্যে পৰম্পৰাগত, নতুনত্ব একো নাই। অৰ্থাৎ কংগ্ৰেছ চৰকাৰৰ শিথিল প্ৰশাসনৰ অনুগামী মাথোন। কংগ্ৰেছৰ সকলো পৰ্য্যায়ৰ আঁচনিকেই তেতিয়া জনতা চৰকাৰেও গ্ৰহণ কৰিছিল। সেইমতে জনজাতি উন্নয়নৰ নামত বাতৰি কাকতৰ যোগেদি জনতা চৰকাৰেও জয়ঢোল কোবাইছিল। বাতৰি কাকতৰ পাতে পাতে জনজাতি উন্নয়নৰ আঁচনিৰ খবৰ ওলায়, ৰাইজে পঢ়ে আৰু অন্য প্ৰগতিশীল জাতিৰ দৃষ্টিত জনজাতিসকলৰ প্ৰগতিৰ

OKDISCD

সন্ধানৰ আভাস দিয়ে। প্ৰকৃতাৰ্থত জনজাতি-সকলৰ উন্নয়নৰ বাবে ঘোষিত খবৰবোৰে বহু সময়ত সভ্যতাৰ পৰা আতৰি যোৱা দেখা যায়। তেনে বিজ্ঞপ্তিবোৰ ৰাজনীতিকৰ বাবে কৰা অবাঞ্চিত ঘোষণা নহয়তো? আমাৰ সন্দেহ আছে আৰু থাকিব। কাৰণ জনজাতীয় উন্নয়নৰ বাবে লোৱা আঁচনিত অভ্যন্তৰীণ সহস্ৰ খুৰুণ্ডা আছে। মাথোন ৰাজনীতিকৰ কৃত্ৰিমতাৰ ঢাকনি দিয়া হৈছে।

এতিয়া প্ৰতিটো মহকুমাত জনজাতি উন্নয়ন বোৰ্ড গঠন কৰি জনজাতি উন্নয়নৰ বাবে চৰকাৰী নিৰ্দ্দেশ আছে। সেইমতে কুকুৰা, ছাগলী আৰু গাহৰি ফাৰ্মৰ নামত আৰ্থিক অনুদান দিয়, তাৰোপৰি দুখুনী বিধবাক তাঁতশাল আৰু কেইপোৱামান সূতা সাহায্য দিয়া ইত্যাদিয়ে প্ৰধান। এই বাস্তৱ তথ্যৰ ওপৰত ভিত্তি কৰি বৰ্তমান জনতা চৰকাৰে জনজাতিৰ দ্ৰুত উন্নয়নৰ আঁচনি কাৰ্য্যকৰীকৰণত গুৰুত্ব আৰোপ কৰিছে। আমি জনাত আজিৰ প্ৰতিযোগিতাৰ যুগত প্ৰতিযোগী হৈ অহৰহ প্ৰগতিশীল সন্ধানত থকা জাতিৰ সমপৰ্য্যায় কৰিবলৈ দুখুনী বিধবাক দুশ টকা মূল্যৰ এখন তাঁতশাল অনুদান দিয়াটো অবাস্তৱ হাস্যস্পদ। কোনোবা দুখীয়া খেতিয়ক এজনক গাহৰি অথবা কুকুৰাৰ ফাৰ্মৰ নামত তিনিশ টকাৰ আৰ্থিক সাহায্য কৰাও তেনে অবাস্তৱ আৰু হাস্যস্পদ। চৰকাৰৰ তেনে আঁচনিবোৰ নিশ্চয় বাস্তৱ ৰূপায়নত ব্যৰ্থ হব তাত কোনো সন্দেহ নাই। চৰকাৰী আৰ্থিক অনুদানবোৰ নিশ্চয় ব্যক্তি বিশেষৰ মাজতেই অবলুপ্ত হোৱাৰ বাহিৰে কোনো পন্থা নাথাকিব। ফলত জনতা চৰকাৰে লোৱা আঁচনিও বিফলে গৈছিল।

চৰকাৰী আঁচনিবোৰ উদ্যোগমুখী হোৱাটো আমি বিচাৰো। জনজাতি পুৰুষ আৰু নাৰীৰ বাবে বেলেগ বেলেগ উদ্যোগ স্থাপন কৰি একেলগে শ শ দুখীয়া নাৰী আৰু পুৰুষৰ জীৱিকাৰ পথ প্ৰদৰ্শোৱাটোকে আমি বিচাৰো। কোনোবা নাৰী বা পুৰুষক গাহৰি পোহাৰ নামত আৰ্থিক মঞ্জুৰী দি সেই পৰিয়ালক আজীৱন গাহৰি পোহপালতেই আৱদ্ধ ৰাখি থোৱাটো অভিশপ্ত মাথোন। এই আঁচনিবোৰ কাৰ্য্যকৰী-কৰণত জনজাতীয় নেতৃস্থানীয়সকলে নিবিড়ভাবে চিন্তা কৰাৰ সময় আহি পৰিছে। উক্ত আঁচনিবোৰ যদি হাজাৰ হাজাৰ জনজাতিৰ বাবে অভিশপ্ত হয় তেতিয়াহলে আজিৰ বিজ্ঞানৰ যুগত তেনে আঁচনিবোৰ প্ৰয়োগ নকৰাই উত্তম বুলি আমি ভাৱো। সেয়ে তেনে আঁচনিবোৰ জনসাধাৰণৰ মাজলৈ সম্প্ৰসাৰণ কৰাৰ আগতে জনজাতীয় চিন্তাশীল ব্যক্তিসকলে নিবিড়ভাৱে চিন্তা কৰা উচিত।

জনজাতি উন্নয়নৰ বাবে সদৌ অসম ট্ৰাইবেল সংঘই উদাসীন মনোভাৱ পোষণ কৰাটো পৰিলক্ষিত হৈছে। অসমৰ খিলঞ্জীয়া বাসিন্দা জনজাতীয়সকলৰ বাবে সদৌ অসম ট্ৰাইবেল সংঘই যোৱা ৩৪ বছৰে কি কৰিলে তাৰ খতিয়ান বিশ্লেষণ কৰিলে আমি বাৰ্ষিক অধিবেশনত কৌশলগতভাৱে বুজন সংখ্যক প্ৰতিনিধি থিয় কৰোৱাই বিষয়ববীয়া নিৰ্বাচিত হোৱাৰ বাহিৰে একোকে দেখা পোৱা নাই। অৱশ্যে ট্ৰাইবেল লীগে জনজাতীয় উন্নয়নৰ বাবে

OKDISCD

কৰা কামৰ তুলনা ট্ৰাইবেল সংঘই কৰা কামতকৈ প্ৰশংসনীয় আছিল। ট্ৰাইবেল লীগে জনজাতীয় সমস্যাৰ বাস্তৱ ৰূপায়নত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। কিন্তু বৰ্তমান সদৌ অসম ট্ৰাইবেল সংঘৰ নিচিনা শক্তিশালী সংগঠনে জনজাতিৰ দ্ৰুত উনয়নত গুৰুত্ব আৰোপ কৰাৰ কোনো চাক্ষুস নিদৰ্শন নাই। এই সংগঠনে বিজ্ঞানসম্মত গবেষণা কৰি জনজাতিৰ উন্নয়নৰ আঁচনি হোৱাটোহে আমি আশা কৰো। কিন্তু এই সংগঠনে তেনে আঁচনি প্ৰস্তুতিকৰণৰপৰা বিৰত। কাৰণ এই সংগঠনে ৰাজনৈতিক ক্ষোৱাল সোঁতত উৱাদিহ নোপোৱা হৈ অনুষ্ঠানৰ নিজস্ব কাৰ্য্যপন্থা কাৰ্য্যকৰী কৰণৰ পৰা ব্যৰ্থ হৈ পৰিছে। সেয়েহে যোৱা ৩।৪ বছৰে এই সংগঠনে বিকলাঙ্গ ৰূপ প্ৰদৰ্শন কৰি আহিছে।

তাৰোপৰি জনজাতিৰ অন্যান্য মহিলা সমিতিয়েও জনজাতিৰ দ্ৰুত উন্নয়নৰ বাবে বিজ্ঞানসম্মত পথ প্ৰদৰ্শন কৰাৰ পৰা বিৰত আছে। এই সংগঠনৰ পৰাও আমি সক্ৰিয় ভূমিকা আশা কৰো। আমি আশা কৰো জনজাতিৰ দ্ৰুত উন্নয়নত দ্ৰুত পন্থা অৱলম্বন কৰা হওঁক। অন্যথায় জনজাতীয় উন্নয়নত চৰকাৰ তথা জনজাতীয় নেতৃবৃন্দই কৰা সকলো প্ৰচেষ্টা অথলে যাব তাত কোনো সন্দেহ নাই।

—x—

# সৰাফুল

শ্ৰীভূপেন দাস বি-এ

চুটিগল্প ]

নিতৌ ডুপৰীয়াৰ আহাৰ খোৱাৰ পিছত পদূলিত থকা কৃষ্ণচূড়া জোপাৰ তলত ছাঁ-লৈ আৰামী চ'কীখনত বহি জিৰণি লোৱা জগত বৰুৱা ডাঙৰীয়াৰ এটা নিত্য নৈমিত্তিক কাম। সিদিনাও বৰুৱা ডাঙৰীয়াই আহি চ'কী খনত বহি জিৰণি লব ধৰিছে। এনেতে কিবা কিবি কথাবোৰ তেওঁৰ মনত পৰিল। ভাবৰ এলানিত তেওঁৰে ডাঙৰ ল'ৰা চিত্ৰৰ কথাও মনত পৰিল,— "সি এতিয়া উপযুক্ত বয়স পাইছে। এই বেলি বছৰটো বাগৰি গ'লে কুৰিৰ দেওনা পাৰ হব। আজি-কালিৰ ল'ৰা। আজিকালিৰ ল'ৰা হিচাপে ডাঙৰ পুতেকৰ বিয়াখন পাৰিলে সোন কালেই খতম কৰিব লাগে। নহ'লে আজি কালি যি হে দিন কাল আহিছে, কেতিয়াবা হয়তো মাক-দেউতাকক নোসোধাকৈয়ে চৰকাৰী হাকিমৰ গুৰিলৈ গৈ কাম সমাধা কৰি গুচি আহিব পাৰে।"

"অকল ডাঙৰ পুতেকৰ বিয়াৰ বিষয়ে ভাবিলে নহব। তোলনীয়া পুতেক দুজন আৰু ছোৱালী এজনীও আছে। সিবিলাকৰ কথা

OKDISCD

আৰম্ভণি পিছে পৰে হলেও ভাবিব পৰা যাব। কাৰণ সময়ো হাতত আছে। দ্বিতীয় ল'ৰা জন এতিয়াও মেট্ৰিক কোৰ্চতেই পঢ়ি আছে। তৃতীয়জনে এই বেলিহে মধ্য ইংৰাজী স্কুলৰ শেষান্ত পৰীক্ষা দিব। আনহাতে শেষৰ ছোৱালী জনীয়েতো মাকৰ লগতে নেৰা-নেপেৰাকৈ লাগি থাকে। সেইজনী হ'ল মাকৰ হিয়াৰ আমঠু। কেতিয়াবা মনত পৰিলে স্কুললৈ যায় আৰু কেতিয়াবা মাকৰ বিৰুদ্ধে বেজাৰ কৰি কান্দি কাটিয়ে স্কুলত যোৱাৰ সময়খিনি কটায় দিয়ে। মাকে বুজাই বঢ়াই, কায়দা কৌশল কৰি কেতিয়াবা স্কুললৈ পঠাব পাৰে; আৰু কেতিয়াবা নোৱাৰে।

"ক-ফলা, অ-ফলা দুখনৰ কিমান যে পাৰ্গত হৈছে তাক তেওঁ মুঠেও জনা নাই। সম্ভৱ দুই চাৰিটা আখৰ চকুত বহিছে। ইমানেই। তাকে কেতিয়াবা পোহনীয়া শালিকাৰ মাত মতাদি মাতি থাকে। মনত পৰিলেই শালিকা হয় আৰু মনত নপৰিলে মাকৰ ওচৰত গৈ বেজাৰ কৰে। নতুনকৈ বোধ হয় একো শিকিব পৰা নাই অথবা শিক্ষকেও তাৰ পৰা বেছি আগ-বঢ়াই দিবলৈ ইচ্ছা কৰা নাই।"

—"যা-হওক ছোৱালীৰ কথা বাদ দিয়া হ'ল। কিন্তু ডাঙৰ ল'ৰা চিত্ৰ? মাকৰ মুখত শুনিবলৈ পোৱা গৈছে বোলে সি লতাক বিয়া কৰিব। ইতিমধ্যে চিত্ৰই তাইক কথা দিছে। এনেস্থলত উপায় এটা নুলিয়ালে ভাল হব জানো??? তাই এজনী অসজাতী ছোৱালী। তাইক কোনোপধ্যে এইখন ঘৰলৈ আনিব দিব নোৱাৰে। তাইৰ গুণৰ কথা গোটেই অঞ্চলতে বিয়পি পৰিছে। দশোদিশ ৰজনজনাই গৈছে। গতিকে তেনে এজনী ছোৱালীৰ সৈতে চিত্ৰৰ—বৈবাহিক লগ্ন সম্ভৱেই হব নোৱাৰে। চিত্ৰ সি যিমানেই ধৰফৰ নকৰক কিয় সি কেতিয়া'ও সম্ভৱ হব নোৱাৰে।"

"অৱশ্যে ছোৱালীজনী দেখাত ধুনীয়া আছিল। দেহৰ গঠনো আপচু নহয়। নহলেও তাই যে জাতৰ বাহিৰত আৰু বজৰুৱা বুলি শুনিব পোৱা গৈছে। আকৌ তাই বোলে গাওঁৰ ডেকা ল'ৰামখাৰ সকলোকে ভাল পায় আৰু সেই চেগতে প্ৰত্যেকে ভাল পোৱাৰ অভিনয় কৰি ঠগ দি এৰি গুচি যায়। তেনেস্থলত বৰুৱা ডাঙৰীয়াৰ পৰি-য়ালত বোৱাৰী হোৱাৰ যোগ্য পাত্ৰী লতা নহয়।"

"বাৰু! জাতৰ বাহিৰত হলেও গ্ৰহণ কৰিব পৰা যাব। কিয়নো আজিকালি জাতৰ বিচাৰ কৰি লাভ নাই। জাতৰ বিচাৰ কৰি থুম্ থুম্ হৈ বহি থাকিলে কাৰ্য্য সাধন নহয়। সেইটো বাৰু বাদ দিলো। কিন্তু ইমান বদনামী ছোৱালী এজনীক ল'ৰাক বিয়া কৰাবলৈ দিলে এটা ডাঙৰ ভুল কৰা হব। দৰাচলতে কবলৈ গ'লে, তাই এটি সৰাফুল। নিঃসন্দেহে লতাক এটি সৰাফুলৰ সৈতে ৰিজাব পাৰি। এটি সৰাফুল মানুহৰ মনত যেনেদৰে অনা-দৃতা হৈ পৰে, ঠিক তেনেদৰে লতাও আজি অনাদৃতা নহয় বুলি কব নোৱাৰি।"

ভাবৰ এলানি ইমানতে সামৰি বৰুৱা ডাঙৰীয়াই সপোন ৰাজ্যত বিচৰণ কৰিব ধৰিলে। কেতিয়া টোপনি আহিল তেওঁ গমকে নাপালে।

OKDISCD

# —চিচিম্‌ফাক্—

শ্ৰীশৰৎ চন্দ্ৰ বড়ো

'Naked I came into the world,
Naked I shall go out of it!
And a very good thing too,
for it reminds me that I am
naked under my shirt whatever
its colour,'—E. M. Forster (What I believe)

নিশাৰ ৰঙ্গমঞ্চত
নায়কৰ 'সূৰ্য্যসন্ধান'
দৰ্শকৰ হাত চাপৰি—
'আমাকো পোহৰ লাগে'
ফুগালৈ কিন্তু ৰ'দালি নাহে
সমুখৰ পাহাৰে সূৰ্য্য ঢাকে!
উত্তেজিত প্ৰতিক্ৰিয়া...........
কৰাঘাতেৰে পাহাৰ ভঙাৰ প্ৰচেষ্টা।

* * * *

প্ৰেম কাহিনীত 'গৰম হাৱা'
অভিমানে অনুতাপে জ্বলে হিয়া
'বজে' (১) 'বোজ' (২) হলেওঁ
কঁইটৰ আচোৰত
তেজে ডোঙা বান্ধে
তথাপি বুকুৰ তেজেৰেই
কোনোৱে কেতেকী ফুলায়।

* * * *

OKDISCD

# এটি গীত

শ্ৰীবিষ্ণুজ্যোতি কছাৰী ।

জাগ জাগ জাগ আজি
সুপ্ত সিংহ জনজাতি
এই মাটিয়ে বিভিয়ায
আহ্ আজি ওল ই ।

মিচিং বড' চুতিয়া ৰাভা কাৰ্বি কছাৰী,
বৰক্ ডিমাছা হাজং টিৱা আদিম ডেউৰী,
আমি ভাই ভাই—
বুঢ়া লুইতেই সাক্ষী আমাৰ
তেজৰ বিভেদ নাই ।
মৈত্ৰী হব মুক্তি আমাৰ ভাঙি কদ্ধদ্বাৰ
এই মাটিৰ ইতিহাস অংগীকাৰ আমাৰ ।
সংহতি হব মন্ত্ৰ আমাৰ জীৱন সংগ্ৰামৰ
ঐক্য হব শক্তি আমাৰ দুৰ্দম দুৰ্বাৰ—
বিশ্বাস হব প্ৰেমৰ সূত্ৰ মহামিলনৰ
এই মাটিৰ ইতিহাস অংগীকাৰ আমাৰ ।

— ——

OKDISCD

ৰাজনীতি মঞ্চত 'পুতলা নাচ'
সূতা টানিলেই পুতলা নাচে
কলাসুলভ অঙ্গী ভঙ্গীত
নেপথ্যৰ সংলাপো জমে।
ৰাজভৱন, ৰাজপথত শ্লোগান
জনতাৰ সংগ্ৰাম অবিৰাম ··· ·······
মুক্তি চনদত
ৰাজঘৰীয়া স্বাক্ষৰৰ দাবী
সিহতে কিন্তু শুনে
নকল বাঘৰ গোজৰণি ······ ···
লাইট গান, মেচিন গান
আৰু লাঠিৰ কোবত
শ্লোগান উফৰে
গণতন্ত্ৰৰ মূল্যায়ন
এনেকৈয়ে হয় বাৰে বাৰে।

—

বিঃ দ্রঃ— (১) ৰজে বড়ো শব্দ ইয়াৰ অৰ্থ প্ৰেয়সী মা।
(২) ৰোজ– ইংৰাজী Rose

OKDISCD